১২৯১
Nanda Mohan
Talukdar
CLASS VI




শ্ৰীদণ্ডিনাথ কলিতা প্ৰণীত।

তেজপুৰ।

১৮৪৮ শক। ১৯২৬

---

প্ৰথম সংস্কৰণ।

---

মূল্য ॥০ আধলি এটি মাথোন।

বৰ্ত্তমান যুগ-সমস্যা আৰু সমাজ-সমস্যাৰ

সুমীমাংসা জানিব খোজে যদি

## দীপ্তি

এখন আজিয়েই কিনি পঢ়ক।

---

আইদেউহঁতক জাতীয় আদৰ্শত গঢ়ি জাতীয় জীৱনৰ
গঢ় লগাব খুজিলে ততালিকে এখন

## সতী কাহিনী

উপহাৰ দিওক।

---

আপোনাৰ লৰাক কৰ্ম্মী সন্তান কৰিব খোজে যদি

অক্লান্ত কৰ্ম্মী

৺চন্দ্ৰনাথ শৰ্ম্মাৰ বিস্তৃত জীৱনী

## কৰ্ম্মবীৰ চন্দ্ৰনাথ

পঢ়িবলৈ দিয়ক

---

Printed by—S. K. Sen.
At the Kalpataru Press, 94, Grey Street, Calcutta.

উপহাৰ।

শ্ৰী নন্দ মোহন তালুকদাৰ

বৰনগৰ হাইস্কুল

৫ম মান শ্ৰেণী

১৩৪৫ চন

Nanda Mohan Talukdar
P. O. Sorbhog
Dated ...... ......
Kamrup
Barnagar H. E. School

# নিবেদন।

"ৰহঘৰাৰ" ৰহ খাই আৰু "ৰগৰৰ" ৰগৰ লগাই ৰাইজ-সকল "বহুৰূপীৰ" ৰূপ চাবলৈ সাজু হৈছে বুলি অনুমান কৰি আজি তাকো সজাই পৰাই উলিয়াই দিয়া হ'ল। ইতি পূৰ্ব্বে "বহুৰূপীয়ে" "সাহিত্য-সন্মিলন", "ছাত্ৰ সন্মিলন", "তেজপুৰ অ, ভা, উ, সা, সভা" আৰু "সাৰস্বৎ সভাত" তাৰ বেলেগ ৰূপ দেখুৱাই আহিছে, আৰু "বাঁহীৰ" সুৰত নাচি-বাগি, "মিলন"-মন্দিৰৰ অভ্যন্তৰত সোমাই কেইবাটাও ৰূপেৰে বহুতৰ লগত সাক্ষাৎ কৰি থৈছে। সেই কাৰণে "বহুৰূপী" ৰাইজৰ একেবাৰেই অপৰিচিত নহয়। এতিয়া সকলোখিনি ৰূপ একেলগে দেখুৱাবলৈ তাক ৰাইজৰ ওচৰলৈ পঠিওৱা হ'ল; ৰূপ দেখি ৰাইজসকল তৃপ্ত হলেই তাৰ প্ৰতিপালক কৃতাৰ্থ হ'ব। কিয়নো, ৰাইজ সন্তুষ্ট হলেই বহুৰূপীৰ মোনা ভৰিব, লগে লগে অলমতি বিস্তৰেণেতি।

কেতেকীবাৰী, তেজপুৰ। নিবেদক—

আহিন, ১৮৪৮ শক। গ্ৰন্থকাৰ।

# অৰ্পণ।

যি জনৰ সদুপদেশ আৰু সাহায্যই গ্ৰন্থকাৰৰ ছাত্ৰ জীৱনৰ আয়ুস বঢ়াইছিল, যাৰ গোটেই পৰিয়ালৰ করুণাৰ্দ্ৰ শুশ্ৰূষাই ৰোগ শয্যাতো লিখকক শান্তিৰে ৰাখিছিল, যাৰ অশেষ অনুগ্ৰহৰ এই চিৰ-দৰিদ্ৰ গ্ৰন্থকাৰ চিৰঋণী, সেই মহানুভব

অশেষ শ্ৰদ্ধাভাজন

শ্ৰীযুক্ত ব্ৰহ্মানন্দ বৰকাকতি ডাঙ্গৰীয়াৰ

কৰ-কমলত

এই নিঃকিনৰ আন্তৰিক শ্ৰদ্ধাৰ সামান্য নিদৰ্শন-স্বৰূপে

**বহুৰূপী।**

অৰ্পিত হ'ল

তেজপুৰ,
আহিন. ১৮৪৮ শক।

বিনীত নিবেদক—
গ্ৰন্থকাৰ।

# সূচী।


| বিষয় | পিঠি |
| --- | --- |
| ১। বহুৰূপী ... ... ... | ১ |
| ২। ঈশ্বৰৰ নতুন ৰূপ ... ... ... | ৫ |
| ৩। কাৰ্ত্তিকচন্দ্ৰৰ আত্মজীৱনী ... ... | ৮ |
| ৪। প্ৰাত্নতাত্বিক ... ... ... | ১৮ |
| ৫। দেশোদ্ধাৰকৰ মহাসভা ... ... ... | ২৪ |
| ৬। বিফৰ্ম্ম সুন্দৰী ... ... ... | ২৮ |
| ৭। বি, এ, পাচ ... ... ... | ৩৫ |
| ৮। অসমীয়াৰ গৌৰৱ ... ... ... | ৪৭ |
| ৯। বগীৰ দৰা ... ... ... | ৫১ |
| ১০। ভকতৰ পৰিণাম ... ... ... | ৫৭ |
| ১১। উন্নতিৰ উপায় ... ... ... | ৬৩ |
| ১২। মতা নে তিৰুতা ... ... ... | ৬৯ |
| ১৩। জাতৰক্ষা ... ... ... | ৭৪ |
| ১৪। দুখীয়া ... ... ... | ৭৬ |

Nanda Mohan Talukdar
P. O. Sorbhog
Dated........ ........
Kamrup
arnagar H. E.

Nanda Mohan
Talukdar
CLASS VI

# বহুৰূপী।

( ১ )

মই ভট্টাচাৰ্য্যৰ লৰা,
ইংৰাজী বঙ্গলা পঢ়া,
এশ একুৰি ডাঙ্গৰ ডাঙ্গৰ
কিতাপ মুখস্থ কৰা।

( ২ )

মোৰ কপালত মস্ত ফোঁট,
মূৰত টিকনি গোট,
ডাঙ্গৰ মানুহ দেখিলে আগত
মাটিত লোট-সোট।

( ৩ )

মোক নাভাবিবা কম,
ঘৈণীৰ ওপৰত যম,
স্ত্ৰী-স্বাধীনতাৰ বক্তৃতাত কিন্তু
কোনো নাই মোৰ সম।

( ৪ )

কিন্তু কটাৰী ধৰাবা শিলে,
তিক্ততা চলাবা কিলে,
ঘৰৰ ভিতৰত এই বচন হে
মোৰ মতেৰে মিলে।

( ৫ )

মই বাল্য বিবাহ দেখি,
কৰোঁ প্ৰতিবাদ লেখি,
নিজে হ'লে বিচাৰোঁ গৌৰী,
আঙুলীত বছৰ লেখি।

( ৬ )

মই সমাজৰ আগত হ'লে,
জলপান খাবলৈ ক'লে,
অটাইকে কওঁ— ফুৰা গাৰে
গাখীৰ টুপিহে চলে।

( ৭ )

কিন্তু আনে নজনাকই,
ডাক বঙ্গলালৈ গৈ,
পাৰোঁ আহিব "ফাউল-কাৰি,"
ফটিকা টুপিও লৈ।

( ৮ )

মই পৰৰ যেতিয়া পাওঁ,
জ্বৰৰ গাৰেও খাওঁ,
( কিন্তু ) আলহী দেখিলে পিচ দুৱাৰে দি
বাজলৈ ওলাই যাওঁ ।

( ৯ )

মই গাৱঁৰ মানুহক ডৰোঁ,
দেখিলেই সন্ধ্যা কৰোঁ,
দক্ষিণা ফেৰাৰ মূৰ মৰিলে
কেনেকৈ নো বাৰু তৰোঁ !

( ১০ )

মই যদিও শাস্ত্ৰ জানো,
ধনৰ ফাললৈ টানো,
শাস্ত্ৰতকৈও ধনৰ মোনাটো
গধুৰ বুলি মানো ।

( ১১ )

মই দেখিলে লোকৰ দায়,
স্মৃতিৰ বচন গাই,
পৰাচিত কৰি আনো ধন
তাৰেই কেইদিন মান যায় ।

( ১২ )

যদি নিজেই দোষী হওঁ
স্মৃতি সামৰি থওঁ,
ডাঙ্গৰক দোষে নোছোৱে বুলি
বচন উলিয়াই লওঁ ।

( ১৩ )

মই বেদান্ত বোলোঁ সত্য,
মানো চাৰ্ব্বাকৰো তথ্য,
জাহাজত কিন্তু আল্লাক মানো
যদিও নহয় কথ্য ।

( ১৪ )

মই ঘোৰ কালীৰ ভক্ত,
দেখিলে পাঠাৰ ৰক্ত,
'ভগ্নী' হঁতৰ শুনিলে গান
ব্ৰাহ্ম ধৰ্ম্মাসক্ত ।

( ১৫ )

আকৌ বৈষ্ণৱ যেতিয়া পাওঁ,
নামৰ মহিমা গাওঁ,
ভোৰ তালৰ কোবত কাণৰ
কণামাকৰি সৰাও ।

( ১৬ )

মই মাৰোঁ—ডোমৰ লগত চিতল,
খুন্দোঁ—মৰীয়াৰ লগত পাতল,
তাপ দেখিলে তপত হওঁ,
পানী দেখিলে শাতল।

( ১৭ )

এনে হেন পুৰুষ মই,
নকৰোঁ কাকো ভয়,
সময়ৰ সোঁতত ওপঙি ফুৰোঁ
য'তে-ত'তেই জয়।

---

## ঈশ্বৰৰ নতুন ৰূপ।

ঘোষা—ঈশ্বৰ হ'ল বহুৰূপী প্ৰজাই খালে ভয়।
পূজাৰ সমল গোটাই ফুৰোঁতেই জীৱন হ'ল ক্ষয়।

পদ।

তাহানিখন আছিল ঈশ্বৰ সত্য সুন্দৰ শিৱ,
একমেৱাদ্বিতীয়ম্ আৰু সকলো জীৱৰ জীৱ।
কালৰ সোঁতত এক হৈ থাকি খাবলৈ নেপোৱা হ'ল,
কামি হাড় কেইডাল ওলাই পৰিল নাড়ীও শুকাই গ'ল।

উপায় নাপাই ধৰিলে ৰূপ একুৰি তেৰ কোটি,
অনাই বনাই ফুৰিলে ঘূৰি বিচাৰি বিচাৰি জুতি।
চিকুটি বাঁকুহি অন্ত কৰিলে দেখিলে মানুহক "চিধা,"
চেপি-খুন্দি আদায় কৰিলে দিনৌ দহোটা সিধা।
কেতিয়াবা খালে পিঠাগুড়ি, কেতিয়াবা চাউল-মাহ,
কেতিয়াবা খালে ফটিকা-ভাং, কেতিয়াবা পাৰ-হাঁহ।
কেতিয়াবা খালে ঘিউ-মৌ, গাখীৰ গুৰেৰে কল,
কেতিয়াবা পিলে কাববাৱ তেজ পাই কৰবাত ছল।
ছাগলী ম'হ হালে হালে কৰিলে কতনা পাৰ.
কিমান কলহ পিলে মদ লেখ জোখ নাই তাৰ।
কেতিয়াবা ৰাতি টোপনি এৰিলে 'বাইজী'ৰ নাচোন চাই,
কেতিয়াবা আকৌ ধোবাং জুৰিলে ঘোঁটা সৰহকৈ খাই।
কেতিয়াবা খালে মধুপৰ্ক, কেতিয়াবা খালে গুৱা,
একোকে নাপাই কোনোবা দিনা হুপিলে জুহালৰ ধোঁৱা।
সুযোগ পালে মদ-মঙ্গহ কুকুৰা-গাহৰি লৈ,
ভিতৰ-সেৱাত মন মজালে গোপিনী লগত লৈ।

এনেকৈ থাকিল নানান ৰূপেৰে পেটটো ভৰাই খাই,
ভাবিলে দিন সুখতে যাব চিন্তাৰ প্ৰয়োজন নাই।

কিন্তু কি হ'ব ! দিনক দিনে সকলো ঢুকাই গ'ল,
কলিৰ বলত দিনকাল গুচিল একোৱেই নিমিলা হ'ল।

পূজা-পাতল, যাগ-যজ্ঞ,—সকলো পৰিল তল,
একুৰি তেৰ কোটি হৈও নোপোৱাত পৰিল ছল।

সেইহে এতিয়া তৎ মৎ নাপাই লব্ধিছে মানুহৰ গাত,
নানান ৰূপেৰে খাইছে যিহোক দুবেলা দুসাজ ভাত।
এজনক লব্ধি 'চিগাৰেট' হুপি কাষ্ঠ-আসনত বহি,
বিচাৰ কৰি দণ্ডিছে কাকো, খাইছে কাৰবাৰ খাহী।
'অনাহাৰী' হৈ আহাৰ গোটাইছে বিচাৰি ভেঁটী ভাৰ,
'নিমখ্‌হাৰামী' নকৰে বোলে পায় খাবলৈ যাৰ।
এজনক লব্ধি আইন মিলাই মিছাকৈ গোচৰ সাজি,
লোকৰ টকা চপাই-কোঁচাই ভৰাইছে চন্দুক খাজি।
এজনক লব্ধি লৈছে হাতত শান্তি ৰক্ষকৰ দণ্ড,
যাক ধৰে, তাক নেৰে কদাপি নকৰি লণ্ডভণ্ড।
অনুচৰবৰ্গক লব্ধি কৰিছে মহিষ বাহনৰ দূত,
চকুৰ টিপতে টকা উলিওৱাৰ ক্ষমতা অদ্ভুত।
ইহঁতৰ হতুৱাই মতাক মাইকী, কুঠাৰক কৰাইছে কোৰ,
লাভ দেখিলে সাধুকো বন্ধাইছে বুলি অঘাইটং চোৰ।
এজনক লব্ধি কাৰবাৰ মাটি দিছে কাৰবাক বেচি,
বিস্তাৰ কৰিছে পেটৰ পৰিধি পৰৰ অন্নেৰে হেচি।
কল-কুঁহিয়াৰ, ঠুকীয়া তামোল, কিমান যে সাঙ্গী-ভাৰ,
গোটাইছে নিতে নানা ফন্দিৰে কি তৎ পাবা তাৰ!
এজনক লব্ধি বাবু বোলাই লৈছে মাছিয়াত বহি,
লোকৰ লেখাকে নকল কৰি মাৰিছে তলত চহি।
ৰঙ্গা চকু দেখিলে এওঁ ভৰিত দীঘল দি পৰে,
হোজা মানুহক হাতত পালে ম'হতকৈও শিং চৰে।

যেতিয়াই চোৱা তেতিয়াই এওঁৰ দেখিবা পিচলৈ হাত,
তামোলৰ লগতে সিকি-আধলি নপৰি নাথাকে তাত।
এজনক লম্ভি ভাং খাই গছৰ তলতে থাকে,
চলাই-ভুলাই সঙ্গী কৰে যাকে লগ পাই তাকে।
আৰু যে এনে কত ৰূপেৰে খাইছে হাড় মূৰ খুলি,
দুখীয়া প্ৰজাই উপায় নাপাই কান্দে বিননি তুলি।
ইমান অৱতাৰক তুষ্ট কৰোঁতে দেশ উঠিছে কঁপি,
বদৰিকাত লোৱাগৈ আশ্ৰয় তুলসীৰ মালা জপি।
সৰু নাৱত ইমানকৈ যেতিয়া পৰিছে ডাঙৰ ভৰা,
তলৈলৈ যাবলৈ পলম নাই ৰাম ৰাম বুলি তৰা।

---

# কাৰ্ত্তিকচন্দ্ৰৰ আত্মজীৱনী।

( ১ )

মই কোন জানা জানো ? মোৰ নামটো কি ?
নাজানিলে থাকা শুনি কাণ পাতি দি।
মোৰ নামটো আছিল কাতি,
আইৰ নামটো চকুতখাতী,
বোপাইৰ নামটো খৰেখোৱা খৰ নাকে কাণে,
কেনে গুণী আছিল তেওঁ আয়ে ভালকৈ জানে।

( ২ )

ডাঙৰ হ'লত বোপায়ে মোক স্কুল এখনত দিলে,
নোৱাৰিলে কৰিব একো পণ্ডিতৰ গেমেহা কিলে।
বোপাই আছিল অঘাইটং চোৰ,
হ'ল তেওঁৰে প্ৰকৃতি মোৰ,
পৰীক্ষাত কিতাপ নকল কৰিয়েই সাৰিলোঁ যেনে-তেনে,
তাৰ ফলত দেখিলোঁগৈ কলিকতাখন কেনে।

( ৩ )

কিবা নতুন জন্তু হ'লোঁ কলিকতাখন পাই,
উৰি গ'ল ধুতি-চেলেং, চাপিল পটলুং টাই।
কাৰ্ত্তিকচন্দ্ৰলৈ নামটো সলাই,
পিচত উপাধিৰ নেগুৰ লগাই,
ফুৰি ফুৰিলোঁ, প্ৰত্নীৰে পূৰাই হাজিৰা বহিৰ পাত ;
'হুইস্কিৰ' বটল কঢ়িয়াওঁতেই লগুৱা পলাই ফাঁট।

( ৪ )

কিতাপ লুকুৱাই পৰীক্ষা-ঘৰত এফ্, এ, দিবলৈ গলোঁ,
প্ৰশ্ন দেখিয়েই হলোঁ থৰ,
কিতাপত যে নাপাওঁ উত্তৰ,
য'ৰে ত'ৰে একো ডোখৰ দিলোঁ হুবহু তুলি,
পৰীক্ষাৰ ফলত ওলাল মই 'ফেইল' হৈছো বুলি।

( ৫ )

আকৌ ওলালোঁ কলিকতালৈ, ভাবিলোঁ পঢ়িম বুলি,
পায়েই গলোঁ ফটিকাৰ প্ৰেমত সকলো কথা ভুলি।
কোনোবা এঠাইত এদিন ৰাতি,
কাৰবাৰ কাষত হলোঁ কাতি,
পিচ দিনাখন দুপৰলৈকে চেতনা নাছিল গাত ;
তাৰ ফলতেই কলেজত সোমোৱাৰ মৰিল সকলো বাট।

( ৬ )

বিপদৰ লগলৈ বিপদ আহে সকলো মানুহে কয় ;
মোৰ ভাগ্যতো ঘটিল সেয়ে আছিল যিহলৈ ভয়।
সিন্ধিৰ মুখত বোপাইক পাই,
বগা ঘৰত যোগালে ঠাই,
মোৰ যে এতিয়া হুইস্কি টোপাৰো দামটো পাবলৈ নাই,
বহুতো ঘূৰি পালোঁগৈ শেহত লোকেলবোৰ্ডত ঠাই।

( ৭ )

অলপ দিনতে ওলাল বহুতো ধন ঘটিবৰ বুধি,
চাহাবী 'মেজাজত' চলিলোঁ কেনে চাবাচোন লোকক সুধি।
কুলি-চাপ্‌ৰাচীক মাৰিলোঁ ঢকা,
উলিয়াই ললোঁ মদৰ টকা ;
মাহে মাহে পুৰণি খেদাই নতুনক চপাই ললো ;
অলপ দিনতে লোকেলবোৰ্ডৰ নপতা ফুকন হলোঁ।

( ৮ )

এটা বছৰ লোকেলবোৰ্ডৰ আছিলোঁ কেৰাণী হৈ,
আব্‌কাৰীৰ গোটেই মহল উদৰস্থ কৰি লৈ।
দিনক দিনে বাঢ়িল ভেম,
বুলিলোঁ আটাইকে ষ্টুপিড্ ডেম্
কিন্তু এদিন নোৱাৰিলোঁ টকা নিয়াব জীণ,
তাৰ ফলতে চিলিম ছিগিল, হলোঁ চাকৰি-হীন।

( ৯ )

কি যে লেঠা! মদৰ দোকানত বাকীৰ স্থবিধা গ'ল,
মোক দেখিলে গাভৰুইতেও চকু পোন্দোৱা হ'ল।
চহা মানুহক বন্ধু বুলি,
কৰিলোঁ কত যে কোলাকুলি,
তথাপি মদৰ খৰছফেৰাই উলিওৱা হ'ল টান,
অনাই বনাই ফুৰিলোঁ বহুত, বিচাৰি উপায় আন।

( ১০ )

পালোঁ এখন মধ্য-ইংৰাজী প্ৰাইভেট স্কুলৰ গম,
চেক্ৰেটৰীও পুৰণি বন্ধু, মদ-মঙ্গহৰ যম।
হেড্ মাষ্টৰৰ কামটো শূন্য,
শুনি ভাবিলোঁ মোৰেই পুণ্য,
হেঁচি-ঠেলি বহু প্ৰবন্ধে মূৰটো স্থমুৱাই ললোঁ,
বন্ধুৰ কৃপাত বোৰ্ডিঙৰো চুপাৰিণ্টেণ্ডেণ্ট হলোঁ।

( ১১ )

এতিয়া মই কেইবাটাও কাম বন্ধা নিয়মত কৰোঁ ;—
ৰাতি পুৱালেই আইন শ্রেণীত উপস্থিত হবলৈ লৰোঁ।
দুপৰীয়া লৰা পঢ়াওঁ,
সন্ধিয়া মন মদত মজাওঁ,
সাৰী পিন্ধাই নচুৱাওঁ ছাত্র, বজাই কেৰাচীন-টিন,
এনেকৈয়ে সুখে দুখে যাবলৈ ধৰিলে দিন।

( ১২ )

বছৰৰ শেহত কলিকতাত উকীলৰ পৰীক্ষা দি,
প্রশ্ন দেখিয়েই ধাতু উৰিল, ক'লে বা হ'ব কি ?
যদিও লিখা নহল ভাল,
এৰি কাপোৰৰ পাতিলোঁ জাল,
আটাই কেইজন পৰীক্ষকক কৰিলোঁ বন্দী তাত,
সেই দেখিহে একে বাৰতে উঠিলোঁ পৰীক্ষাত।

( ১৩ )

এতিয়া মই উকীল হলোঁ, পৰোৱা নকৰোঁ কাকো,
চহৰৰ মাজত ঘৰ সাজি মহা ফস্তিৰে থাকোঁ।
কাৰ্ত্তিকচন্দ্র ফুকন নাম,
শুনিলেই মানুহৰ বয় ঘাম,
সুবিধা পালে দুয়ো পক্ষৰে গোচৰত টকা খাওঁ,
পোৱা টকা এৰি নো কিয় দুখীয়া হবলৈ যাওঁ ?

( ১৪ )

ভোজ খুৱাই 'ভোট' গোটাই কৰি নানান ফিকিৰ,
মেম্বৰ হলোঁ লোকেলবোৰ্ড, মিউনিচিপেলিটীৰ।
উপকাৰিতা কানি-ভাঙৰ,
ফটিকাৰ গুণ কিমান ডাঙৰ,
বুজাই বুজাই বক্তৃতা দিলোঁ হাটে-বজাৰে গৈ ;
গবৰ্ণমেণ্টেও শলাগ ল'লে তাতে তুষ্ট হৈ।

( ১৫ )

যদিও বোপাইৰ আছিল নাম বুলি অঘাইটং চোৰ,
কাৰ্ত্তিকচন্দ্ৰৰ লগত তেৱোঁ নোৱাৰে দিব জোৰ ?
মোৰ সমান ডাঙৰ কোন !
তৰাৰ মাজত যেনে জোন,
মোৰ কথাকে আটায়ে পাতে, তেও নপৰে ওৰ,
আলি খাৰৈয়েও ধন্য মানে লভিলে পৰশ মোৰ।

( ১৬ )

এটা কথা কোৱাই নাই, কবলৈ লাগে ডঁৰ,
ঘৰৰ ঘৈণী আছিল মোতকৈ এঘাৰ বছৰৰ বৰ।
মই যেতিয়া পূৰঠ ডেকা,
ঘৈণীৰ তেতিয়া কঁকাল বেঁকা,
আটায়ে নিন্দে ল'ব খুজিলেই দ্বিতীয় বিবাহৰ নাম,
দুয়ো কুল ৰাখি চলাই ভাবিলোঁ বুধিয়ক মানুহৰ কাম।

( ১৭ )

সেই হে সুৰা-সুন্দৰী লৈ পাতিলোঁ এখন সত্ৰ,
অধিকাৰ হৈ বহিলোঁ তাত, চপালোঁ বহুতো ভক্ত।
গাৱঁৰো চহকী মানুহ মাতি,
মন্ত্ৰ দিলোঁ শিষ্য পাতি,
সৱহকৈ কৰ আদায় কৰি দেখালোঁ ত্যাগৰ বাট,
বানপ্ৰস্থী হলেই শেহত নিদিয়াত পৰিলোঁ মাত।

( ১৮ )

এনেকৈয়ে সত্ৰ চলালোঁ পঞ্চমকাৰ লৈ,
প্ৰেম কৰিলোঁ দণ্ডবিধিয়ে ছুব নোৱাৰাকৈ।
তিকতাৰ যেতিয়া লাগে গোচৰ,
পোনেই মোৰ চাপে ওচৰ,
বিনামূল্যে চলাওঁ গোচৰ, মোক্কেল খানাত ৰাখি,
সময় বুজি নিজেও দিওঁ মিছামিছিকৈ সাক্ষী।

( ১৯ )

এতিয়া মোৰ অভাব কিহৰ ? কালৈ কৰিম ভয় ?
চাৰিও ফালে মোৰেই মাথোন জয়-জয় ময়-ময়।
ওকালতিত ওলাই ধন,
মজলিচত মুগ্ধ মন,
মোকৰ্দ্দমা বঢ়াবৰ বাবে নানা উপায়ত ধৰোঁ,
নহলে বাৰু কোৱাঁচোন কোৱা কিনো উপায়ে তৰোঁ।

( ২০ )

তৰণী পঠিয়াই তৰণি হেকুৱাই গাৱঁৰ মানুহক আনি,
গোচৰৰ গুণ বখানি বখানি বুজাওঁ বৰকৈ টানি।
নোহোৱা নোপজা গোচৰ পকাই,
কৰোঁ প্ৰমাণ সাক্ষী শিকাই,
ফুটুকাৰ ফেন যেয়ে যি পাওক, মোৰ তো মোনা ভৰে,
আজি কালি তো মিছা গোচৰত মোকেহে উকীল ধৰে।

( ২১ )

যদিও মোৰ লৰাৰ শিক্ষা চতুৰ্থ শ্ৰেণীতে শেষ,
মদ-মঙ্গহত উঠিছে পকি, ঘৰত নাথাকে লেশ।
চন্দুক ভাঙে মাজে মাজে,
ৰাতি কটাই বাজে বাজে,
কাৰবাক দিবলৈ জ্যাকেট সাৰী, সোণৰ আঙঠি কিনে,
কি নো কৰিবা! 'বাপকা বেটা,' ময়ো তো আছিলোঁ তেনে!

( ২২ )

ছোৱালীজনীয়ে স্বাধীন হৈ লৈছে আপোন বাট,
দৰা যেতিয়া পাবলৈ নাই, কিনো মাতিবা তাত!
চলক যেয়ে যেনেকৈ পায়,
চকু দিবলৈও সময় নাই,
ডেকা কালত চেঁকা লগাত দোষেই বা দিওঁ কিয়?
ঈশ্বৰৰ ইচ্ছাতেই ইচ্ছা জন্মে, যেনেকুৱা তেওঁৰ প্ৰিয়

( ২৩ )

সেই কাৰণে সকলোলৈকে দিছোঁ এতিয়া পাচ,
ফটিকা খাই পেটটো ভৰাই দিনৌ খেলিছোঁ তাচ।
লেজিচ্ লেটিভ্ কাউন্সিলৰ,
পাৰো যদিহে হব মেম্বৰ,
তেনে হলেই হ'ব মনটো বৰফৰ দৰে জুৰ,
খিতাপ এটা যদিহে পাওঁ হ'ব কামনা পূৰ।

( ২৪ )

মদ কানিৰ প্ৰচলন তেতিয়া বাধ্যতামূলক কৰি,
কৰিম প্ৰস্তাব তাঁত-শালবোৰ পেলাবৰ নিমিত্তে পুৰি।
অসমীয়া ভাষাৰ চিতা সাজি,
লিখকবিলাকক পেলাম ভাজি,
এই সঙ্কল্প সৰুৰে পৰা থৈছোঁ মনত ৰাখি,
সিহঁতে মোকো পেংলাই কৰে! আনলৈ কিটো বাকী?

( ২৫ )

আসামত আছে য'তে যিমান সভা-সমিতিৰ বংশ,
নাপাতে মোক সভাপতি, কৰিম সকলো ধ্বংস।
মোৰেই যদি যশ নাগায়,
কি হ'ব সেইবোৰ থাকি জীয়াই,
তাতে য'ত 'বাইজী' নাই বোলেনে তাকো সভা?
ফটিকাৰ তো গোন্ধেই নাই, আৰু নো কিডাল পাবা?

( ২৬ )

তাঁতশালে তিৰুতাবিলাকক দিছে বহুতো কষ্ট,
দিনৰ দিনটো তাঁতত বহি চেহেৰা হৈছে নষ্ট।
উঠাই দিলে তাঁতৰ শাল,
তিৰুতাই মোক পাব ভাল,
বঙ্গালী সাৰীৰ পৰশ পাই ওফন্দি উঠিব বুক,
ৰং ধেমালিত সময় কটাই লভিব পৰম সুখ।

( ২৭ )

অসমীয়াৰ পৰিচয় ফেৰা কানি!ভাঙতেই আছে,
তাকো যদি উঠাব লাগিল কি নো থাকিব পাচে ?
ফটিকা টুপিও ল'লে লগত,
হ'ব দেশৰ উন্নতি মহৎ,
তাকো নুবুজে, আমাৰ মানুহ ইমান অশিক্ষিত !
মেম্বৰ হ'লে সাধিম নিশ্চয় এই ফেৰা দেশৰ হিত।

( ২৮ )

তেতিয়া বাইজৰ হ'ব মঙ্গল, বাঢ়িব তেজ-বল,
চৰকাৰৰ ঘৰৰ ভঁৰাল ভৰিব, উন্নতিৰ ব'ব ঢল।
ৰজা-প্ৰজা তুষ্ট হব,
মোৰ খিয়াতি কাললৈ ৰ'ব,
মোৰ প্ৰতাপত শতুৰুহঁতৰ নুঘুৰি নাথাকে মূৰ,
গবৰ্ণমেণ্টেও খাতিৰ কৰিব পাতি ৰায় বাহাদুৰ।

( ২৯ )

যেয়ে কৰিব হকা-বধা এইবোৰ কাৰ্য্যত মোৰ,
ৰাজদ্ৰোহত পেলাই সিহঁতৰ পেলাম তেনেয়ে ওৰ।
সাজি পাৰি সাক্ষী কম,
যেনেকৈ হওক 'জেলত' থম,
সকলোৰেই চিনিব কেনে কাৰ্ত্তিক ফুকন মই,
দেখোঁচোন বাৰু কোন নো থাকে মোক নকৰি ভয়!

---

# প্ৰাত্ন-তাত্ত্বিক।

( ১ )

প্ৰত্নতত্ত্বৰ খোলা বহাই ভাজিছোঁ বিবিধ পিঠা,
খাই যোৱা অসমীয়া, লগাই যোৱা মিঠা।
পুৰণি পুথিৰ পিঠাগুৰি,
খুন্দি লৈছোঁ ডলাত ভৰি,
মিলাই দিছো তিল-মিঠৈ, খালে পাবা জুতি,
এবাৰ তাৰ ৰাগী লাগিলে নোৱাৰা যাব উঠি।

( ২ )

যি যি বিষয়ৰ তথ্য একো বিচাৰি পাবলৈ নাই,
তাৰো উপায় কৰিছোঁ৷ নিজে শাস্ত্ৰ ভাগৱত চাই।
ধোৱাঁ চাঙ্গত কিমান পুথি,
চোৱাচোন সোৱা আছে উঠি,
নিজে লিখি সজাই থৈছোঁ৷ পুৰণি লিখকৰ নামে,
কোনে ৰাখিব ! চলাম মোৰ নাও পানীয়ে বামে।

( ৩ )

নতুন কৰি পুৰণিক চলাম কৰি খুঁত নাইকিয়া,
গাভৰু সজাই বাপেকে দিয়ে যেনেকৈ বুঢ়াক বিয়া।
কাৰ ঘৰত আছে পটা,
আছে কি তাত আঁক-বাঁক কটা,
বান্ধনীৰ লগত পিৰীতি লগাই তাৰো লৈছোঁ৷ গম,
প্ৰত্নতত্বৰ ওজা ময়েই, নহঁও জানিবা কম।

( ৪ )

প্ৰত্নতত্বৰ প্ৰেত কাৰ্য্য সকলো থৈছোঁ৷ কৰি,
কত তথ্য বাহিৰ হৈছে লাগে নে আঁতি-গুৰি ?
থকাত দিছোঁ৷ নতুন ৰং,
নথকাতো সাজিছোঁ৷ চং,
দুটা এটা নমুনা দিওঁ তাতেই বুজি লোৱা ?
প্ৰাত্নতাত্বিক হওঁনে নহওঁ নিজেই বিচাৰি কোঁৱা।

( ৫ )

নিউটনে মাধ্যাকৰ্ষণ পোনতে উলিয়াই দিলে,
ভাস্কৰাচাৰ্য্যৰ মতো দেখিছোঁ তেওঁৰ লগতেই মিলে।
নিউটনৰ তথ্য শিকি,
ভাস্কৰাচাৰ্য্যই থলে লিখি,
এয়েই হৈছে আচল কথা, কৰিছোঁ উদ্ধাৰ মই,
কালিদাসেও নাটক লিখিলে চেক্ষ্‌পীয়ৰ্‌ পঢ়ি লই।

( ৬ )

'জেপেলিন' দেখি কুবেৰে লৈছিল পুষ্পক ৰথখন গঢ়ি,
ভীম হৈছিল ভয়ানক বলী "চেণ্ডোৰ ডাম্বেল" কৰি।
কলিকতীয়া "বাগান বাড়ী,"
দেখি বশিষ্ঠই হামৰাও কাঢ়ি,
সন্ধ্যাচলত আশ্ৰম পাতিছিল অৰুন্ধতীৰে গৈ,
আজৰিৰ দিন কটাইছিল তাতে "হাৰ্ম্মোনিয়ামটো" লৈ।

( ৭ )

শঙ্কৰ গৈছিল পশ্চিমলৈ চৰিত্ৰ পুথিয়ে কয়,
উলিয়াইছিল বৈষ্ণৱ ধৰ্ম্ম, গীত-পদ-অভিনয়।
ইয়াতে পাবা সোপাই কথা,
মধুপৰ্কৰ সম্ভাৰ যথা,
পশ্চিম মানে যে, কলিকতা তাত তো সংশয় নাই,
ঘূৰিছিল তাতে 'ষ্টাৰ-মিনাৰ্ভাত' দিনৌ থিয়েটৰ চাই,

( ৮ )

দিনৌ দিনৌ থিয়েটৰ চাওঁতে মনত ৰৈ গ'ল সুৰ,
কৃষ্ণলীলাৰ অভিনয় চাওঁতে প্ৰেমত ঘূৰি গ'ল মূৰ।
ঘূৰি আহি ভাওনা পাতি,
গোটেই দেশখন পেলালে ছাতি,
বৈষ্ণৱ ধৰ্ম্ম প্ৰচাৰ কৰিলে ৰেলে জাহাজে ঘূৰি,
এতেকে শঙ্কৰৰ সকলো কাৰ্য্যৰ "ষ্টাৰ-মিনাৰ্ভাই" গুৰি।

( ৯ )

তাৰ পিচত ঠাকুৰ কবিৰ গীতাঞ্জলি খন পঢ়ি,
শঙ্কৰ-মাধৱে ৰচিলে গীত অলপ লৰচৰ কৰি।
"পেটেল বিলৰ" কথা শুনি,
শঙ্কৰ দেৱে মনত গুণি,
কোচ-চিলাৰায়ৰ লগত দিলে ভতিজা জীয়েকৰ বিয়া,
তাকে দেখিয়েই হ'ল মানুহবোৰ জাতকুল নাইকিয়া।

( ১০ )

মহাত্মা-গান্ধীৰ অসহযোগ আন্দোলনৰ ফলত,
কৰিলে তেওঁ আৰ্য্য-অনাৰ্য্য সকলো জাতৰে ভকত
কাঠৰ যঁতৰত সূতা পকাই,
সেইহে হ'বলা কাপোৰ বোৱাই,
অসহযোগৰ কেম্প পাতিছিল তাঁতীকুছিলৈ গৈ,
কিমান কথা পালা এতিয়া চোৱাঁচোন দৰিয়াপ ৰৈ। (১)

(১) ষ্টাৰ মিনাৰ্ভা, গীতাঞ্জলি, পেটেল বিল আৰু অসহযোগ আন্দোলনৰ বয়স কিমান?—টীকা।

( ১১ )

কলিকতাত জয়মতীৰ যাত্ৰা-অভিনয় চাই,
শিৱসাগৰৰ জয়মতীয়ে এৰিলে নশ্বৰ কায়।
ৰাজপুতনাত মৈদাম হ'ল,
সেইহে নাম জয়পুৰ ৰ'ল,
বুৰঞ্জীৰ এনে মূল্যবান কথা জানিছিল কোনে বাৰু ?
কোৱাচোন এতিয়া মোতকৈ বিজ্ঞ আছে নে
কোনোবা আৰু ?

( ১২ )

পশ্চিমীয়াই ভাৰতবাসীক ইণ্ডিয়ান জাতত তোলে,
ৰে'ড ইণ্ডিয়ান আমেৰিকাৰ অসভ্য জাতিক বোলে।
দুয়োৰে মিলৰ এনে চিন,
দেখি কোনে বুলিব ভিন,
নিশ্চয় কিবা ভিতৰ সম্বন্ধ দুয়োটা জাতিৰে আছে,
গমি-পিটিকি নোপোৱা যদি দুষিবা আমাক পাচে।

( ১৩ )

দুয়োটা জাতিয়ে কাণেৰে শুনে, মুখেৰে আহাৰ খায়,
নাকেৰে লয় গোন্ধ, আৰু চকুৰে সৈতে চায়।
হাতেৰে ধৰে, ভৰিৰে লৰে,
কাণে মূৰে অলঙ্কাৰ আঁৰে,
নাখালে লাগে পেটত ভোক, শুলেই টোপনি আহে,
পানী লাগিলে দুয়োটা জাতিয়ে কুহুৰ কুহুৰকৈ কাহে।

( ১৪ )

আৰু কিমান দেখিবা মিল দকৈ গামি চালে,
দুয়োৰে মূৰ ডিঙ্গিৰ ওপৰত ভৰিহাল তলৰ ফালে।
বুঢ়া-মেঠাই পাতে মেল,
লৰাই হাঁহে খেল খেল,
কেচুৱাই কান্দে তেৰাঁ তেৰাঁ, ডেকাই পাতে বিয়া,
দুয়ো জাতিৰে মৰা মানুহ দেখা নাইকিয়া জীয়া।

( ১৫ )

ভাৰতবাসী যে আমেৰিকাৰ ৰে'ড ইণ্ডিয়ানৰ বংশ,
কাৰবাৰ মনত আছে নে বাৰু কিবা সন্দেশৰ অংশ? (২)
প্ৰত্নতত্ত্বৰ এনে মৌচাক
আছে ভৰি মোৰ গোটেই থুনুপাক,
যিহকে লাগে তাকেই পাবা, নাই অলপো ভয়,
মনত ৰাখিবা অটাইতকৈ ডাঙ্গৰ প্ৰাত্নতাত্ত্বিক মই।

———

(২) আনৰ মনত থাকিলেও "শ্ৰীচৈতন্যদেৱৰ" লিখকৰ মনত নিশ্চয় নাই। ইতি—টীকা।

# দেশোদ্ধাৰকৰ মহাসভাৰ নতুন অধিবেশন।

( ১ )

উজনি-নামনিৰ দেশোদ্ধাৰকৰ পুঠি-খলিহা-ৰৌ,
মিলিল আকৌ, উঠিল দেশত নতুন উছাহৰ ঢৌ।
অভ্যৰ্থনা-সমিতি পাতি বিষয়া ললে বাছি,
ডাকত গ'ল নিমন্ত্ৰণৰ ছপোৱা চিঠিৰ পাচি।
সভাৰ কাৰণে ৰভা সাজি পুতিলে কলৰ পুলি,
থকা মেলাৰ দিহা কৰিলে ৰাইজৰ পঁচা তুলি।
অভ্যাগতৰ আগমন হ'ল যেন পকুৱাৰ লালী,
তলন্টিয়াৰৰ দপ দপনিত কঁপিল চৰ্কাৰী আলি।
সভাপতিক আগবঢ়ালে পিন্ধাই দি ফুলৰ মালা,
জয়-ধ্বনিৰ জম্বুক-নাদত কাণ হৈ গ'ল কলা।

( ২ )

সভামণ্ডপত চাঙৰ ওপৰত আছিল মাচিয়া পতা,
তাতে সোমাই খাজ খাই পৰিল সভাপতি বৰমতা।
আগত থকা একোখন মাচিয়াই একোজন দৰ্শক গিলি,
অজগৰ থকা দি থাকিল পৰি ইখনে সিখনে মিলি।
দৰ্শক মণ্ডলীক কিনো চাবা! ৰাঙতে ৰূপ চৰা!
কেনোবা আছিল দীঘল, কোনো পথালিফালে বঢ়া।

কেনোবা আছিল গাই-মুৱা, কাৰো বা নাকটো খৰা,
কাৰো বা মুখ আছিল তেনেয়ে ডাড়িয়ে-গোঁফে ভৰা
কোনোৰ মুখত পাউডাৰ ঘঁহা, চকুত চচমা আঁটা,
কোনোৰ মূৰত দীঘল টিকনি, কোনোৰ 'এলবার্ট' কটা।
কোনোৰ মূৰত আছিল হেট, ডিঙিত লগোৱা 'টাই',
ঢলং পলং কৈ ওলাইছিল আহি বটলৰ কিবা খাই।
কোনোৰ কঁকালত গাৰুৰ গিলিপ, কোনোৰ চুৰিয়া আঁৰা,
কোনোৰ উৰ্ম্মাল ভেকেতা-ভেকেত কিবাৰ গোন্ধেৰে ভৰা।
কোনোৰ মূৰত মথুৰা-পাগ, কোনোৰ নাছিল চুলি,
কোনোৱে লৈছিল চেলেং-খনীয়া কান্ধৰ ওপৰত তুলি।
এনেকৈয়েই ভাগে ভাগে গ'ল ৰভা-তল ভৰি
দেশোদ্ধাৰকৰ মহা সভা থিয় হ'ল চালি ধৰি।
ভেঁ-পোঁ-পোঁ ভেঁ-পোঁ-পোঁ বাজি উঠিল বাদ্য,
আৰম্ভণ-গীতে যোগালে শ্ৰৱণেন্দ্ৰিয়ৰ খাদ্য।

তাৰ পাচত আদৰা সভাৰ সভাপতিজন উঠি,
বন্দী কৰিলে অভ্যাগতক কথাৰ লাঙিজাল গুঠি।

তেওঁ বহিলত ঘাইজন পতিৰ বকিবৰ সময় হ'ল,
অভিভাষণটো চৰ্ব্বণ কৰোঁতেই, পূৰা এঘণ্টা গ'ল

সম্পাদকে ধৰিলে দাঙি বাৰ্ষিক কাৰ্য্যৰ সাৰ,
আয়-ব্যয়ৰ হিচাপত ওলাল বিয়োগ চিনৰ ভাৰ।

বক্তৃতা দিওঁতে তিনিওৱে আছিল গহীন গম্ভীৰ বাণী
শুকান ডিঙি জীপ ধৰাওতে ঢুকাল একলহ পানী।

আগ বেলাৰ আগ কথা ইমান খিনিতে থৈ,
শঁতালে খন্তেক সকলো মিলি চাউল-সিজোৱা লৈ।

( ৩ )

আবেলি বেলিকা ৰভাতললৈ আহিল সকলো ঘূৰি,
থিয় কৰিলে বাজন বাজন প্ৰস্তাব কেইবা বুৰি।
নমুনা যথা ঃ——"গবৰ্ণমেণ্টৰ গুণ যশস্যা গাই,
"লোৱা হওক ডাঙৰ চাকৰি, নহলে উপায় নাই।"
"ভাং-কানিৰ দাম বঢ়াবলৈ গবৰ্ণমেণ্টক খাটি,
ৰখা যাওক কানীয়া-ভঙুৱাৰ যি আছে ঘটি-বাটি।"
"গাৱেঁ গাৱেঁ মানুহক বুজাই পঞ্চায়ত পতা হওক,
উকীল-তৰনীৰ বানচকেৰা বাইজৰ হাতত ৰওক।"
"এৰি মূগাৰ সূতা কাটি কপাহৰ খেতিত ধৰি,
ঘৰে ঘৰে কাপোৰ বওক বিদেশী বৰ্জ্জন কৰি।
"গাৱেঁ গাৱেঁ বুজোৱা হওক গুচে কেনেকৈ ৰোগ।"
"লৰা-বুঢ়া আটায়ে দিওক সাহিত্যৰ উন্নতিত যোগ।"
"উলিওৱা হওক ছাপাখানাত জাতীয় গীত-পদ মাৰি,
"গজোৱা হওক বুৰঞ্জীৰ মুখত প্ৰত্নতত্ত্বৰ ডাঢ়ি।"
"কৰা হওক অসমীয়া পাঠকবৰ্গৰ সৃষ্টি।"
ৰৰমূৰীয়াৰ মূৰত হওক বৃহৎ উপাধিৰ বৃষ্টি।"
ইত্যাদি ইত্যাদি কত প্ৰস্তাব হ'ল তাত দাঙি ধৰা,
প্ৰত্যেকটোতে হ'ল তৰ্ক ইংৰাজী বঙলা ভৰা।

মেজৰ অভাবত হাতৰ তলুৱাত ভুকুৱাই বক্তৃতা দিলে,
তৰ্ক শাস্ত্ৰ তহিলং কৰি ৰস উলিয়াই পিলে।
ফোঁপাই-জোঁপাই বহিল শেহত সকলো বাক্যবীৰ,
হাতচাপৰিৰ কোঢ়ালৰ মাজত প্ৰস্তাব হৈ গ'ল স্থিৰ।

( ৪ )

প্ৰস্তাব-মতে কাৰ্য্য হবলৈ হাতত নাছিল পুঁজি,
কৰিলে ঠিক ধন গোটাব ৰাইজসকলক খুজি।
এহালিচা পাতনি পাতি ক'লে এজনে উঠি,
শুনি ওলাল দান দিবলৈ বহুতে মেলি মুঠি।
হাতত যদিও নাছিল কাৰো, দিবৰো নাছিল মন,
হাত চাপৰিৰ লোভত ওলাল পিচত দিবলৈ ধন!
টকাৰ পৰা হেজাৰলৈকে কৰিলে ৰাইজে চহি,
কেইবা হাজাৰো টকাৰ হিচাপত ভৰি গ'ল মস্ত বহি।
তাৰ পিচত চাহৰ মেলত সকলো মিলিল গৈ,
'ৰসগোল্লা' 'সন্দেশ' ভৰালে উঠিব নোৱৰাকৈ।
বাটিয়ে বাটিয়ে চাহ-পানী খাই উৰ্ম্মালেৰে মুখ মচি,
তামোলৰ মোকোৰা মুখত ভৰাই গ'ল ঘৰলৈ গুচি।

( ৫ )

যথাৰতে সম্পন্ন হৈ গ'ল, দেশোদ্ধাৰকৰ সভা,
কেইবা দিনলৈ উঠিল বাজি দেশৰ উন্নতিৰ দবা।
বাতৰি কাকতে আহাৰ পালে কাৰ্য্য-তালিকাখন,
দৰ্শকে ভৰিলে ৰেল-জাহাজত অহা যোৱা কৰাৰ ধন।

ঘৰলৈ গৈয়েই জাপত সোমাল কাৰে বা সাধ্য তোলে !
এবছৰলৈ ফস্তি মাৰি ঘোঁট ঘোঁটকৈ শুলে।
সম্পাদকৰ আজোৰ পিজোৰ সকলো সহ্য কৰি,
দিম বোলা ধন থাকিল সোমাই দাতাৰ চন্দুকত পৰি।
প্ৰস্তাববিলাক থাকিল সোমাই বহিৰ পাতবোৰ ভৰি,
সভাৰ কাৰ্য্য সুঁৱৰি ৰাইজ বোলাহে হৰি হৰি।

---

## ৰিফৰ্ম্ম-সুন্দৰী।

ইণ্ডিয়া অফিচৰ কমাৰ শালত
বিলাতী ধাতুৰ বিলাতী পাগত,
গঢ়িলে ৰূপহী মণ্টেগু-চেম্ছ্-ফৰ্ড্
দুজনে হাতুৰী পিটি ;
সুন্দ-উপসুন্দ বধৰ কাৰণে
তাহানি গঢ়িছিল যিটি।
ৰিফৰ্ম্ম-সুন্দৰী নামেৰে ৰূপহী
ওলাই দিবলৈ ভাও,
বাজিল বাদ্য ধিনিকি-ধিন্দাও
ধিনিকি-ধিন্দাও দাওঁ।

ৰিফৰ্ম্ম-সুন্দৰীৰ ৰং সনা মুখ,
ডঁহা চকুজুৰি দেখি গুচে দুখ,
মুগা চুলিটাৰ কেঁকোৰা-কেঁকুৰি
বতাহত ধেমালি কৰে,
ইন্দ্ৰ-ধনু যেন আচল খনিয়ে
চকু জাল মাৰি ধৰে।

ৰূপহীক লৈ শিয়ান বাঢ়েয়ে
সাগৰত মেলিলে নাও ;
বাজিল বাদ্য ধিনিকি-ধিন্দাও
ধিনিকি-ধিন্দাও দাওঁ।

ৰিফৰ্ম্ম-সুন্দৰী সাগৰ বগাই,
ঢৌ তুলি তুলি খলক লগাই
ৰমক্-জমক্ আচল উৰাই
উজাই আহিল ধীৰে,
সাগৰৰ পাৰ কঁপাই তুলিলে
দৰ্শক মণ্ডলীৰ ভিৰে।

"ৰিফৰ্ম্ম আহিছে" "ৰিফৰ্ম্ম আহিছে"
চৌপাশে উঠিল ৰাও,
বাজিল বাদ্য ধিনিকি-ধিন্দাও
ধিনিকি-ধিন্দাও দাওঁ।

বিফৰ্ম্ম-সুন্দৰীৰ মুখ দেখা পাই,
মজিল কতনা তাৰ সীমা নাই ;
শিয়াল-কঁটহীয়া চুমাৰ লোভত
কতই এৰিলে ভাত ;
প্ৰেমৰ ৰসেৰে হৃদয় ভৰিল
হৰিল মুখৰ মাত ।
কাৰ্য্য সিদ্ধি দেখি যুগল বাঢেয়ে
ভাৱতত চপালে নাও ;
বাজিল বাদ্য ধিনিকি-ধিন্দাও
ধিনিকি ধিন্দাও দাওঁ ।

দুজন এজনে সন্দেহেৰে চাই
কলে-"সাৱধান হোৱা হেবা ভাই",
চগা পৰা দৰে পৰি নমৰিবা
ৰূপহীত সঁজাত নাই,
ভিতৰি ফোপোলা কোৱাভাতুৰীয়া
থৈছে ছালেৰে চাই ।
আপুনি বুজিবা যেতিয়া মজিবা
খাবা সকলোৰে শাও,
নালাগে বজাব ধিনিকি ধিন্দাও
ধিনিকি ধিন্দাও দাওঁ ।

আঁতৰি পলাল সন্দেহীৰ দল,
চাপিকুচি গ'ল প্ৰেমিক সকল,
ৰিফৰ্ম্মে হাঁহিলে মিচিকি মিচিকি
গপতে আপোন মনে ;
চেনেহ চুমাৰ টপাটপ্ "আৱাজত"
ধুমুহা উঠিল ঘনে।

নগৰে নগৰে সুন্দৰী ৰিফৰ্ম্মে
চলালে সবুট পাও ;
বাজিল বাদ্য ধিনিকি-ধিন্দাও
ধিনিকি-ধিন্দাও দাওঁ।

ৰিফৰ্ম্মৰ চকু পিৰিক্-পাৰাক,
দেখি পাণি-প্ৰাৰ্থী হ'ল জাক জাক,
ৰিফৰ্ম্ম জনকে ঘোষণা কৰিলে
জিলাই জিলাই যাকে
অধিক প্ৰজাই ভোট দি বাছিব,
ৰিফৰ্ম্মে বৰিব তাকে।
পণ শুনি লৈ প্ৰত্যেকে ভাবিলে :—
"তেৱেঁই মাৰিলে দাওঁ,"
বাজিল বাদ্য ধিনিক-ধিন্দাও,
ধিনিকি ধিন্দাও দাওঁ।

গোটেই দেশতে হ'ল হুলস্থূল,
ভোট, ভোট, ভোট—উঠিল কল্লোল,
দুৱাৰে দুৱাৰে ভোট্ ভোটনি মাথোঁ।
বাইজ মোক দিয়া ভোট ;
নিশ্চয় বোৱাম গোটেই দেশত
উন্নতিৰ নতুন সোঁত।

ভোটৰ কাৰণে বক্তৃতা জুৰিলে
গোঁফত দি দি টাও ;
বাজিল বাদ্য ধিনিকি-ধিন্দাও
ধিনিকি-ধিন্দাও দাওঁ।

ভোটৰ নিমিত্তে টঙনাটঙনি,
কত ভোজ-ভাত, ইননি-বিননি ;
পাহাৰী ভোটক তলত পেলালে
ইবাৰ বিফৰ্ম্ম ভোটে ;
য'তেই ৰূপহী ত'তেই ইদৰে
কন্দলে খোপনি পোতে।
ভোটৰ কাৰণে প্ৰাৰ্থীসকলে
প্ৰথমে দেখিলে গাওঁ ;
বাজিল বাদ্য ধিনিকি-ধিন্দাও
ধিনিকি-ধিন্দাও দাওঁ।

জিলাই জিলাই নোৱাই-ধুৱাই,
দিলে একোজন ভোটে উলিয়াই,
বৰ বেশ পিন্ধি ৰমক্-জমক্,
ভেমত ওফন্দিল হিয়া ;
পাঁচ পাণ্ডৱৰ পৰিণয় যথা
হ'ল ৰিফৰ্ম্মৰ বিয়া।
ঢোল-খোল-পেঁপা বাজিল সঘনে,
আকাশত উঠিল বাও ;—
ধিনিকি-ধিন্দাও ধিনিকি-ধিন্দাও,
ধিনিকি-ধিন্দাও দাওঁ।

বৰ হৈ বিফৰ্ম্ম বিলাতী মেমৰ
নাম পালে ম্লেচ্ছ অথবা 'মেম্-বৰ',
ওলাল সকলো বাইজৰ ধনেৰে
নিজৰ জোলোঙা ভৰি,
ৰেল জাহাজতে ফুৰিলে বগাই
Honey moon enjoy কৰি।
ভেবা লাগি ৰ'ল ভোটাৰসকল,
দেখি মেম্বৰৰ ভাও ;
বাজিল বাদ্য ধিনিকি ধিন্দাও
ধিনিকি-ধিন্দাও দাওঁ।

লাহ-বিলাহৰ ন ন সাজ কৰি,
দিওঁতে নতুন গহনা গাঁঠৰি,
ভাবে ভাবে ধন কেনিবা উৰিল,
ভঁৰাল উদং হ'ল ;
ৰূপহীৰ মন যোগাওঁতে যোগাওঁতে
পোতৰ টকাও গ'ল।
বিমানেই হ'ল ধনৰ নাটনি
বিকৰ্ম্মৰ চৰিল ভাও,
বাজিল বাদ্য ধিনিকি ধিন্দাও
ধিনিকি ধিন্দাও দাওঁ।

গতি-গোত্ৰ দেখি কেনোবা হতাশ,
কোনো বা হাঁহিছে পিন্ধি প্ৰেম-পাশ
কোনোৱে কৈছে ঃ— "নালাগে ইজনী
খেদোৱা চুলিত ধৰি,"
কেনোৱে কৈছে বিকৰ্ম্মক ৰাখিম
বুকৰ বান্ধৈ কৰি।"
কোনোৱে কৈছে "বিকৰ্ম্ম-প্ৰেমিকৰ
ভেটিত গজিব লাও,
শত্ৰুৱে বজাব ধিনিকি ধিন্দাও
ধিনিকি ধিন্দাও দাওঁ।"

## বি, এ, পাচ। *

( ১ )

মই নহওঁ গৰু, নহওঁ হাতী, নহও কাছ-মাছ,
মানুহ নামৰ দ্বিপদ জন্তু, বি, এ, পৰীক্ষাত 'পাচ'।
কোনোবা এদিন দুপৰ ৰাতি,
প্ৰথম স্পৰ্শ কৰিলোঁ মাটি,
উপজিয়েই তাৰিলোঁ বোপাইক পুন্নাম নৰকৰ পৰা,
আই-বোপাইৰ কৰিলোঁ হিয়া ৰঙত উপচি পৰা।

( ২ )

বুজন হৈ পঢ়াশালিত পঢ়িলোঁ ছপোৱা পুথি,
ইংৰাজী স্কুলত ভৰ্ত্তি হলোঁ তলৰ পৰীক্ষাত উঠি।
ইংৰাজী স্কুলৰ বতাহ পাই,
হোষ্টেলত ললোঁ থকাৰ ঠাই,
গ'ল কেনিবা নগৰৰ বতাহত গাৱঁৰ মোটটো উৰি,
সভ্য-ভব্য হৈ পৰিলোঁ নগৰৰ বাটত ঘূৰি।

---

* লিখকৰ সহপাঠী আৰু সহকৰ্ম্মী শ্ৰীযুক্ত বসন্তকুমাৰ বৰুৱা বি, এৰ অনুৰোধ আৰু সঙ্কেত মতে লিখা।—লিখক।

( ৩ )

এনেকৈয়ে লাহে লাহে কেইবা বছৰো গ'ল,
গাৰ ৰংটোৰ বাহিৰে বাকী সকলো নতুন হ'ল।—
বছৰে বছৰে বুজন হলোঁ,
নতুন নতুন সাজ পাৰ ললোঁ,
নতুন নতুন ফেশ্যনত কাটিলোঁ মাহে ডুবাৰকৈ চুলি.
তেমত বুকু ওফন্দি উঠিল কিবাটো হলোঁ বুলি।

( ৪ )

ফিৰ্‌ফিৰীয়া বিলাতী চুৰিয়াৰ পোঙ্ক ওভোতাই মাৰি,
বুকু উলিয়াই কোটটো পিন্ধি, হাতত ঘৰিটো আঁৰি,
সেওঁতা ফলা মূৰ ঢুপিয়াই,
চিগাৰেটৰ ধোঁৱা উকৰাই,
ফুৰিলো বাটত, গাটো নিজেই জোখত বঢ়া যেন পালোঁ,
খাদ্যাখাদ্য য'ত যি পালোঁ আটাইবে জুতি চালোঁ।

( ৫ )

কাৰবাৰ এখন 'চাইক্‌ল্‌' দেখিলেই যাওঁ পাকতে লৈ.
মজলিচ্‌ পাতোঁ লগৰীয়াৰ আড্ডাত উপস্থিত হৈ।
ৰাতি থিয়েটৰ বাইনাচ চাওঁ,
কোনে গম পায় কলৈ যাওঁ,
যিহে বোৰ্ডিঙৰ চুপাৰিণ্টেণ্ডেণ্ট সন্ধ্যাতে ফোঁচ ফোঁচ মাৰে,
আমি হেন ছাত্ৰক নলয় জোকাই, যদিও থাকে সাৰে।

( ৬ )

পুৱা উঠিলেই ওফন্দা পিঠাৱে লাগে চাহ-পানী-টুপি,
পাইখানাৰ কাৰ্য্য সমাপ্ত নহয় নগলে চিগাৰেট হুপি।
"হাণ্টলি পামাৰ" থাকক জীয়াই,
জা-জলপানৰ নাটনি নাই,
লেঠা মুঠেই—লাহে লাহে নোযোৱাত পৰিল জীণ,
টোপনি-গধুৰ হৈ কামোৰে মূৰটো ৰাতি-দিন।

( ৭ )

নাৰ্ভিগাৰ, ভাইব্ৰোনা আৰু আতঙ্কনিগ্ৰহ খাই,
কিমান টকা যে পানী কৰিলোঁ তাৰ লেখ-জোখ নাই।
ঘুৰঘুৰীয়াকৈ উঠে জ্বৰ,
স্কুল খতিও হয় খৰ,
তথাপি নোট মুখস্থ কৰি চুচৰি-বাগৰি গৈ,
এণ্ট্ৰেন্সৰ বিষ্কাত সৰকি পৰিলোঁ তিনি বাৰ 'এপিয়েৰ'
(appear) হৈ।

( ৮ )

এণ্ট্ৰেন্স পাচ কৰি মই ৰঙ্গত কুৰিলোঁ নাচি,
বহুতো ওলাল শহুৰ হবলৈ নিজৰ ছোৱালী যাচি।
ভাবিলোঁ মই বঙ্গালীইতে,
বিয়া কৰায়েই ধনবোৰ ঘটে,
অসমত যদিও নিয়ম নাই নকৈ চলালেই হ'ল,
মাছ নুবুলি জিজি বুলিলেই মাজতে তুয়ো কূল ৰ'ল।

( ৯ )

প্ৰস্তাব কৰিলোঁ—বাপেকে দিব অলঙ্কাৰ যিমান পাৰি,
সোণৰ খাৰু, চেমিজ-নাকফুল, চিল্কৰ ব্লাউজ-সাৰী।
নালাগে মোক টকা-কড়ি,
পালেই হ'ল এটা সোণৰ ঘৰি,
লগতে এজোৰ সোণৰ বিত চকু, বি, এলৈ পঢ়াৰ ধন,
অ' পাহৰিছিলোঁ য়েই 'জৰুৰ' লাগিব আগতে বাইচাইকল্‌খন।

( ১০ )

মোৰ প্ৰস্তাবৰ গঢ় দেখি বহুতে খালে ভয়,
এজনে মাথোন নিৰ্ব্বিবাদে তাতেই দিলে হয়।
কন্যাক আহিলোঁ লুকাই চাই,
দেখাত একো খতি-খুন নাই,
ভিতৰি কিবা আছিলও যদি নললোঁ একোৰে গম,
বি, এ, ত উঠিব পাৰিলেই হয়, নিশ্চয় ই, এ, চি হ'ম।

( ১১ )

বিয়া কৰাই কলেজ খেলালোঁ, ললোঁ কটিকাৰ জুতি,
কলিকতাৰ চুক-কাণ বিলাকত ফুৰিলোঁ মজা লুটি।
নাচ-গান থিয়েটৰ চাই,
পানৱালীৰ চাচি পান খাই,
মহা সুখেৰে দিন কটালোঁ, একোৰে অভাৱ নাই,
পৰৰ ওপৰত পোৱা ধনৰ কোনে মুখলৈ চাই ?

( ১২ )

শহুৰক জনাওঁ টেলিগ্ৰাফ কৰি হলে ধন নাইকিয়া.
শঙ্কটজনক নৰিয়া হৈছে এশমান পঠিয়াই দিয়া।
বোপাইৰ পৰাও ফাকি দি আনো,
সময়ৰ শব সকলো জানো,
পঢ়া-শুনাও যি পাৰোঁ কৰোঁ, গাইড্ মুখস্থ কৰি,
কোনোবাৰ পৰীক্ষাত উত্তীৰ্ণ হওঁ, থাকোঁ কোনোবাৰ পৰি।

( ১৩ )

এনেকৈয়ে শেহত মই কৰিলোঁ বি. এ. পাচ.
পুথি পঢ়িলোঁ, টেনিচ খেলিলোঁ, চালোঁ থিয়েটৰ নাচ।
পাচ কৰি আহিলোঁ ঘূৰি,
ইফালে সিফালে ফুৰিলোঁ ফুৰি,
মনতে ভাবিলোঁ ই, এ, চি, হম, নকৰোঁ অন্য কাম,
বি, এ. যেতিয়া পাচ কৰিলোঁ কাৰ মুখলৈ চাম!

( ১৪ )

মই এতিয়া শ্বেলিৰ কবিতা মুখস্থ মাতিব পাৰোঁ;
মিল্টনৰ "প্যাৰেডাইজ্ লষ্ট" প্ৰত্যেক কথাতে জাৰোঁ।
এৰিষ্টোটেল, প্লেটৰ উক্তি,
জৰ্ম্মন-ফ্ৰান্সৰ শাসন চুক্তি,
ৰঙা মহীৰে আঁকিয়াই থৈছোঁ কিতাপত ৰাখি চিন,
বুৰঞ্জীত পাৰোঁ দেখুৱাই দিব এলিজাবেথৰ দিন।

( ১৫ )

গ্ৰীচ-ৰোমৰ ইতিহাস পঢ়িছোঁ, জানো চিজাৰৰ নাম,
শিকিছোঁ হৈছিল ফৰাচী-বিপ্লৱত কি কি ডাঙৰ কাম।
মিছৰ দেশৰ প্ৰত্নতত্ত্ব,
পঢ়িছোঁ কাকতত কৰি যত্ন,
নেপোলিয়ানৰ জীৱনী পঢ়িছোঁ বাতিটো পুৰি তেল,
দুই-এফাঁকি মুখস্থ কৰি ৰাখিছোঁ বাইবেল।

( ১৬ )

ৰামায়ণ-পুৰাণ মহাভাৰত/মূৰ্খই শুনিছোঁ গোৱা,
লাজৰ কথা বি, এত উঠি সেইবোৰ হাতেৰে ছোৱা।
সংস্কৃত ভাষা দেখাতে মৰা,
সময় নষ্ট শিকাৰ পৰা,
সেইহে মই লোকে পঢ়িলেও দূৰতে কোচাওঁ নাক,
দেশৰ মঙ্গলৰ নিমিত্তে উচিত কৰব দি থোৱা তাক।

( ১৭ )

অসমীয়া ভাষা যে ভাষাই নহয়, অসভ্য মানুহৰ মাত,
বৰ্ব্বৰ নহলে কোনো নো কৰিব কিতাপ ৰচনা তাত ?
মূৰ্খ লিখকে কিতাপ ৰচে,
কেওঁ নিকিনে, চুকতে পচে,
উঁহ নিগনি পঁইতাচোৰা ইন্দুৰে মাথোন পঢ়ে,
মইতো আছাৰি দলিয়াই পেলাওঁ যদিহে হাতত পৰে।

( ১৮ )

( তাৰে ) চিঠি এখন লিখিব খুজিলে সম্বোধন নহয় জোৰ,
এশ-একুৰি নিয়ম দেখিয়েই খঙত ঘূৰি যায় মূৰ।
সেইহে মই একো নাচাই,
ইংৰাজীত চিঠি লিখোঁ সদায়,
ঘৰলৈকো ইংৰাজীত লিখোঁ সময়ত ধন-বিত খুজি,
কাৰবাৰ হতুৱাই অনুবাদ কৰাই বোপায়ে লয়গৈ বুজি।

( ১৯ )

সাজ-পাৰত খোৱা-লোৱাত গুচিল পুৰণি ৰুচি,
বিলাতী পানীয়ৰ স্পৰ্শ নহলে নহয় শৰীৰটো শুচি।
যদিও ক'লা বৰণ গাৰ,
মুখত ঘঁহি লওঁ পাউডাৰ,
আৰ্চী চাই চাই বুকুজ কৰি চাহাবটো হৈ পৰোঁ,
পটলুং নেকটাই হেট-কোঁট লগাই ফেঁটটো তুলি ফুৰোঁ।

( ২০ )

বোপাইৰ আছিল বহুতো মাটি খেতি কৰিছিল তাত,
ৰাজহি-ভতহি মাৰি খাইছিল দুবেলা দুসাজ ভাত।
টানকৈ ধৰি হাতৰ মুঠি,
দুই-এটকা থৈছিল পুতি,
মোৰ লগতেই সকলো টুকাল, মাটিবো এভাগ গ'ল,
যাব নোৱাৰিছে ! ভাবনা কিহৰ ! ই, এ, চি হলেই হ'ল।

( ২১ )

হলোঁ মই মানুহ দেখিলে গম্ভীৰ ভাবেৰে থকা,
গ্ৰেজুৱেট এৰি আনৰ লগত এৰিলোঁ ফুৰা-চকা।
নুবুজে যি ইংৰাজী মাত,
ভদ্ৰতা কিটো থাকিব গাত ?
তাতে মই হাকিম হলেও এতিয়া পালে লাই,
গোচৰৰ বেলিকা নিদিব ভেঁটী, সমান চকুৰে চাই।

( ২২ )

শেহত বহুতো চাটিফিকেট আনিলোঁ সংগ্ৰহ কৰি,
ই, এ, চি, হবলৈ দৰ্খাস্ত দিলোঁ বৰ চাহাবক ধৰি।
ঘূৰা-পকা যথেষ্ট হ'ল,
বাট-খৰছেই বহুতো গ'ল,
ফলত কিন্তু মোৰ কপালত নহ'ল ই, এ, চি হোৱা,
ইয়াতকৈ অবিচাৰ পাবেনে হ'ব কোৱাচোন বাক কোৱা।

( ২৩ )

ই, এ, চি হোৱাৰ আশাৰ মূৰত পানী এচলু দি,
ভাবিলোঁ হওঁ চব্‌ডেপুটি, নহলে কৰিম কি ?
বাচিলোঁ কতক ভেঁটীৰ বোজা,
চালাম দিওঁতেই হ'লো কুঁজা,
কি যে কপাল ! ইবাৰো নহ'ল মনৰ কামনা পূৰ,
জীবিকা আৰ্জ্জনৰ উপায় বিচাৰি চিন্তাত ঘূৰি গ'ল মূৰ।

( ২৬ )

ভাবিলোঁ শেহত পঞ্চাচ টকীয়া স্কুল, মাষ্টাৰেই হওঁ,
আগলৈ যি হওক "পকেট এক্সপেন্সটো (pocket
expense) সম্প্রতি উলিয়াই লওঁ।
ইন্সপেক্টৰলৈ কৰিলোঁ "এপ্লাই" (apply),
উত্তৰ পালোঁ "ভেকেঞ্চি" (vacancy) নাই,
মই হেন বি, এলৈ নোহাৱাত পৰিল স্কুল মাষ্টাৰৰো কাম ?
কি হ'ব উপায় ! কেনেকৈ তৰিম, কাৰ কাষলৈ যাম ?

( ২৫ )

উপায় নাপাই যৈণীক থলোঁ শহুৰৰ ঘৰত নি,
টকা কেইশমান ধাৰ কৰিলোঁ মাটি বন্ধকত দি।
তাৰে সৈতেই ঘূৰিলোঁ দেশ,
বাট-খৰছত সকলো শেষ,
তথাপি মোৰ কপালত নিমিলিল বিষ্যাব জোখাৰে কাম,
'অভাৰ্ এইজ্ (overage) হৈ নোহোৱা কৰিলে আগৰ
ফেৰাও দাম।

( ২৬ )

চাহ বাগিচাৰ চাকৰি বিচাৰি চাহাবৰ কাষলৈ গৈ,
চালাম দিলোঁ 'গুড্ মৰ্ণিং, বুলি ধেনু ভিৰীয়া হৈ।
গ্রেজুৱেটবুলি চিনাকি পাই,
চাহাবে সুধিলে মোলৈ চাই,

কলিকতা য়ুনিভাৰ্চিটিৰ ভাইচ্ চেঞ্চেলৰ কোন ?
মই তো নাজানো মূৰ নখজুৱাই কি কৰিম কোৱাচোন ?

( ২৭ )

চাহাবে পুনৰ কৰিলে প্ৰশ্ন ঃ— ডিগৰই ক'ত কোৱাঁ,
উত্তৰ দিলোঁ ঃ—মেট্ৰিকিউলেশ্যনত "জিয়'গ্ৰাফি" নাই লোৱাঁ।
চাহাবে তেতিয়া দিলে বিদায়,
ক'লে ঃ—ইয়াত চাকৰি নাই
বিশেষকৈ মোৰ ডিগ্ৰিত নাই য়ুনিভাৰ্চিটিৰ সাঁচ,
মোৰ তলত কেনেকৈ খাটিবা তুমি যে বি, এ' পাচ !

( ২৮ )

কেএগাৰ দোকানত হিচাপ-ৰক্ষকৰ চাকৰি ওলোৱা শুনি,
সোঁ শৰীৰে 'কেণ্ডিডেট' (candidate) হলোঁ বহুতো
আগ-পাচ গুণি।
হিচাপ এটা কেএগাই কৈ,
দিলে মোক লিখিবলৈ,
দেশীয় নিয়মে হিচাব ৰখা মোৰ যে অভ্যাস নাই,
ইংৰাজী মতেই লিখিলোঁ, কেএগাই হাঁহিলে তাকে চাই।

( ২৯ )

তাৰ পিচত এমোনৰ দাম পোঞ্চৰ টকা হ'লে,
আঢৈ সেৰত কিমান পৰিব মুখতে কবলৈ ক'লে।

হিচাপ কৰোঁতে ওলাল ঘাম,
তথাপি তাৰ নোলাল দাম,
উপায় নাপাই কাগজ এখনত ঐকিক নিয়মে কৰি,
দহ মিনিটত আঢ়ৈ সেৰৰ দামটো দিলোঁ ধৰি।

( ৩০ )

আৰু কেইটামান প্ৰশ্নৰ পিচত কেঞাই গহীনাই ক'লে :—
"বাবু, ইয়াত নহয় চাকৰি, বিচাৰা কোনোবা ফালে।
দেশী হিচাব জানে যেয়ে,
ইয়াত চাকৰি পাব সেয়ে,
বি, এ, পাচৰ ইংৰাজীৰে নচলে দোকানৰ কাম,
বেয়া নাপাবা, যোৱা এতিয়া কৰিলোঁ ৰাম, ৰাম।

( ৩১ )

চাকৰিৰ আশা নিলগ হ'ল, এতিয়া কেনেকৈ তৰোঁ ?
বি, এ, পাচ হৈ কেনেকৈয়ে বা নাঙ্গলৰ কুটিত ধৰোঁ ?
মই হেন বি, এ,ৰ নুবুজে মোল,
গোটেই দেশখন ইমান ফুল (fool),
কোনোৱে কয় :—চাউল-ডাইলৰ দোকান এখনকে দিয়া,
কোনোৱে কয় :—খেতি কৰা, একো লাজ নাইকিয়া।

( ৩২ )

কাৰবাক যদি সাহায্য খোজোঁ হাল বাবলৈ কয়,
মূৰ্খ ইতৰৰ বিচাৰ নাইকিয়া বি, এ, পাচ যে মই।

হাকিমৰ কামটো পোৱা হলে
বাব্ধিলোঁ হেঁতেন হালে হালে,
জেলত ভৰাই দিলোঁহেঁতেন মনত বোৱাকৈ শিক্ষা।
কি হ'ব! কপাল! সিহঁতৰ কামতে কৰাত পৰিছোঁ ভিক্ষা।

( ৩৩ )

এতিয়া দেখিছোঁ মিছাই মৰিলোঁ কিতাপ মুখস্থ কৰি,
ভাত মুঠিও নোপোৱাত পৰিলোঁ ইমান দূৰলৈ পঢ়ি।
এনে দেশত ওপজাই ভুল,
মূৰ্খ ই নুবুজে জ্ঞানীৰ মোল,
জানে মুঠেই হালখান বাই কেনেকৈ ভাতগাল খাব?
মৰা পৰিলোঁ! এতিয়া মোৰ দিন কেনেকৈ যাব?

( ৩৪ )

গৃহিণীক এৰিলোঁ শহুৰৰ ঘৰত পুহিবৰ উপায় নাই,
কোনে জানে ধাৰত কেতিয়া পৈতৃক ভেটিও যায়।
কি যে কষ্টত গৈছে দিন,
পাৰলৈ নোহোৱাত পৰিছে ঋণ,
মানুহে দেখিলে বলিয়া বুলি ফিচিকাফিচিকি কৰে;
ঘৰৰ চুকতে দিনটো কটাওঁ চুক-ভেকুলীৰ দৰে।

( ৩৫ )

এতিয়া মোৰ থকাৰ ভিতৰত তুহাজাৰ টকাৰ ধাৰ,
উৰুৰণিত ভগা ঘৰৰ খহি পৰিছে বাৰ।

ইকূল সিকূল দুয়োকূল গ'ল,
জীৱনটোৱেই মহাভাৰ হ'ল,
বাদ্ বাকী ৰ'ল মাথোন একালে বিবাহৰ কাঁচ ;
ইফালে পুৰণি দেহৰ জকাটো, উপাধি ৱি, এ, পাচ।

---

# অসমীয়াৰ গৌৰৱ।

আমি অসমীয়া, আমি ডাঙ্গৰীয়া,
আটাইতকৈ ডাঙ্গৰ জাতি ;
কি কি লাগে কোৱা, লেখ কৰি লোৱা,
নোপোৱা একোতে ঘাটি।—
আমাৰে লুইতে লাখ লাখ মোন
দিছে কঢ়িয়াই পানী,
বুকতে লুকাই ঘৰিয়ালে কত
খাইছে মানুহ টানি।
আমাৰে পৰ্ব্বতে শাৰী পাতি পাতি,
জিলিকাই ৰাখিছে টিং ;
আমাৰে হাবিত আছে ভৰি ভৰি
হৰিণ ম'হৰ শিং।

আমাৰ বনত ঢেকীয়া পতীয়াই
ভেজৰ পৰীক্ষা চায় ;
আমাৰে ভালুকে বাটকুৱা পালে
নাকতে চুমাটো খায়।

আমাৰে গঁড়ৰ চালেৰে কৰিছিল
তাহানি যুঁজৰ ঢাল ;
ডাঙৰ হাবিত ঘূৰিব লাগিছে
আমাৰে হাতীৰ পাল।

আমাৰে শিয়াল লোদোৰ পোদোৰ,
ছাগলী পেটত ভৰি ;
আমাৰ কেঁটীয়ে একেটা খোঁটতে
থয় সিফলীয়া কৰি।

আমাৰ মেকুৰীয়ে পোৰা মাছ খায়;
কুকুৰে চেলেকে ছুৰা ;
আমাৰ আলহীয়ে পিকেৰে বোলায়
মজিয়া চোবাই গুৱা।

আমাৰ কুলিয়ে কুউ কুউ গায়,
কৰে কাউৰীয়ে কা ;
আমাৰে ভকতে এ ঘটি পানীৰে
জানে ধুই ল'ব গা।

আমাৰে কেঁচাই 'নিউ' বুলি দিয়ে
বাতৰি দৈৱজ্ঞ হৈ ;

আমাৰে গোঁসায়ে শিষ্যক তৰায়,
বৰঙ্গণিফেৰা লৈ।
আমাৰ টোকোৰাই যেনে বাহ সাজে
পাৰে নে সাজিব আনে ?
আমাৰে বাপুৰে নপঢ়ি নুশুনি
সকলো শাস্ত্ৰকে জানে।
আমাৰে মানুহ দুপৰ হলেও
থাকে ফস্তি মাৰি শুই ;
কালিৰ কূপাত নোৱাৰা তুলিব
ঘৰত লগায়ো জুই।
আমাৰ মানুহৰ সমান পবিত্ৰ
পৃথিবীত দ্বিতীয় নাই,
অজাতি মানুহৰ থুই পৰে বুলি
ভেটিও এৰি থৈ যায়।
আমাৰ মানুহৰ দানৰ কাযত
কৰ্ণৰো নহয় ঠাই ;
পাটীৰ তিৰুতাক কেলেহুৱা আহি
হাতত ধৰিলেই পায়।
আমাৰ লাছিতে মোগল খেদালে
এতেকে আমিও বীৰ ;
গাত ৰঙ্গা তেজ এতিয়াও আছে,
কাটি চাব পাৰা শিৰ।

আমাৰে শঙ্কৰ মাধৱে বোৱালে
দেশত ধৰ্ম্মৰ সুঁতি ;
তুয়ো অসমীয়া আছিল যেতিয়া
আমিও ধৰ্ম্মৰে খুটি ।
আমাৰ নিচিনা হাজাৰ-বিজাৰ
জাত কাৰ আছে কোৱা ;
আমাৰ নিচিনা পৰক খটাই
কাক নো দেখিছা খোৱা ?
আমাৰ মানুহে ভাত নাপালেও
নকৰে তালৈ কাণ ;
বেপাৰ বাণিজ নীহ কাম (?) কৰি
কিয় হেৰুৱাব মান !
আমাৰে সকলো, আমাৰ গুণেৰে
আছে চৌ-দিশ ছাতি ;
আমি অসমীয়া, আমি ডাঙ্গৰীয়া
আটাইতকৈ ডাঙ্গৰ জাতি ।

---

# বগীৰ দৰা !

( ১ )

বগীৰ ৰূপৰ নাই তুল,
গালত ফুলে গোলাপ ফুল,
চকু দুটা পিৰিক-পাৰাক,
ওঠত হাঁহি ভৰা ;
বিধিৰ বিধান ইমানতো
নোলাল বগীলৈ দৰা ।

( ২ )

বগীৰ অঙ্গ সকলো পূৰ,
ডিঙ্গিৰ ওপৰত আছিল মূৰ,
সোঁ মাজতে আছিল কঁকাল,
ভৰি মাটিলৈ পৰা,
কেনেকৈ ক'বা কিয়নো বাৰু
নোলাল বগীলৈ দৰা ?

( ৩ )

নাকৰ তলত মুখৰ বিন্ধা,
কাষত চকু চস্‌মা পিন্ধা,

যুগল বাহু ওলমি আছিল
দুফালে কান্ধৰ পৰা ;
তেও নো বাৰু কিহৰ বাবে
নোলাল বগীলৈ দৰা ?

( ৪ )

বৈ বগীৰ পিঠিৰ ভাৰ,
পিচত আছিল ৰাজহাড়,
লোদোৰ-পোদৰ নিতম্ব আছিল
ভৰত ওলমি পৰা ;
খোজৰ নাচন বহুতে চালে
নোলাল বগীলৈ দৰা ।

( ৫ )

গাৰ বৰণ আছিল বগা,
গলধন আছিল মূৰত লগা,
ক'লা চুলিৰ নেঘেৰি খোপা,
সোণত সুৰগা চৰা ;
যি থকা উচিত আছিল যদিও
নোলাল বগীলৈ দৰা !

( ৬ )

ব্লাউজ পিন্ধি ৰমক জমক,
লগাইছিল লোকৰ চকুত চমক ;

ফিৰফিৰীয়া সাৰীৰে দেখাইছিল
ঠগটো কঁকালৰ পৰা,
দেখি যদিও মজিল বহুত,
নোলাল বগীলৈ দৰা।

( ৭ )

শিক্ষাত বগীৰ নাই জোৰ,
ফুৰিছে দেশত বহুত দূৰ,
কিবা কিবি মহলাত উঠি
আহিছে স্কুলৰ পৰা ;
তথাপি আঁটা মনে পিঠিয়ে
নোলাল বগীলৈ দৰা।

( ৮ )

পঢ়া-শুনা শেষ কৰি,
বগীয়ে দিলে ঘৰত ভৰি,
জোতা নহলে নোৱৰাত পৰিল
কৰিব লৰা-চৰা ;
দেখি কোনোৱেই আগ নাবাঢ়িল,
নোলাল বগীলৈ দৰা।

( ৯ )

( বগীয়ে ) তাঁত-সূতৰ নলয় নাম,
ভাত ৰন্ধা লেতেৰা কাম,

কেনেকৈ কৰিব ঘৰৰ বন,
কাপোৰ মলিয়ন কৰা ?
খান্‌চামা-বেহাৰা ৰখাৰ ভয়ত
নোলাল বগীলৈ দৰা ।

( ১০ )

বগীৰ ৰৰযুণ দেখিলেই উঠে জ্বৰ,
গা ধুবলৈ লাগিল ঘৰ,
তিয়নিখন মেলিবলৈকো
লাগিল লগুৱা লৰা ;
ভয়ত পলাল ভগৱন্ত,
নোলাল বগীলৈ দৰা !

( ১১ )

ৰগীৰ হাতত নভেলখনি,
শিৰত কিবাৰ পিৰপিৰণি
কাপত ওলাল দীঘল চিঠি
আদি ৰসেৰে ভৰা ;
সেইহে ওলাল অলেখ সঙ্গা,
নোলাল বগীলৈ দৰা ।

( ১২ )

নিতে নতুন বন্ধু চাপিল,
উপহাৰৰ লালী লাগিল,

চেঙেৰা বন্ধুৰে হ'ল ঘৰখন
দিনে-ৰাতিয়ে ভৰা ;
গান-বাদ্যত সকলো মজিল,
নোলাল বগীলৈ দৰা ।

( ১৩ )

মদৰ দোকানী, মটৰ-ড্ৰাইভাৰ,
উকীল-মোক্তাৰ, ফটোগ্ৰাফাৰ,
হিন্দু-ইচ্‌লাম্‌ খৃষ্টান চাপিল
চাৰিও ফালৰ পৰা ;
ধন-বস্তুৰ অভাব গুচিল,
নোলাল বগীলৈ দৰা ।

( ১৪ )

নতুন বন্ধুৰ লগত ফুৰি,
দেশ-বিদেশত আহিল ঘূৰি,
কত কি যে উপহাৰ চপাই
চন্দুকত দিলে ভৰা ;
শৰীৰ খীণাই শুকাই গ'ল,
নোলাল বগীলৈ দৰা ।

( ১৫ )

এনেকৈ গ'ল কেইবা বছৰ,
তথাপি বগীলৈ নোলাল বৰ,

বয়সতো পৰিল ইফালে
একুৰি এঘাৰৰ ভৰা ;
উপহাৰ যদিও নহল বন্ধ,
নোলাল বগীলৈ দৰা।

( ১৬ )

এতিয়া বগী তেনেই ক্ষীণ,
খালে নোযোৱাত পৰিল জীণ,
ৰংচঙ্গীয়া সাজেও নাই
যৌৱন ৰাখিব পৰা ;
সকলো ফন্দী বিফল হ'ল,
নোলাল বগীলৈ দৰা।

( ১৭ )

সোঁতোৰা-সুতুৰি হ'ল গাল,
খহটা হ'ল নিমজ ছাল,
বুকু-পিঠি সমান হ'ল
চকুও ঘোলা পৰা ;
কি হব এতিয়া ? আগেয়ে যেতিয়া
নোলাল বগীলৈ দৰা !

( ১৮ )

লাহে লাহে সকলো গ'ল,
শৰীৰটো ৰোগৰ ভঁৰাল হ'ল,

ডেকেৰী বগী হ'ল এতিয়া

ঢাৰীয়ে পাটীয়ে নেৰা ;

বন্ধু সকলো আঁতৰি পৰিল,

নোলাল বগীলৈ দৰা ।

( ১৯ )

দৰব জাতিয়ে নিদিলে গুণ,

পলাল কেনিবা বগীৰ ধুন,

বগায়ে বোলে শিক্ষাৰ দোষতে

পৰিলোঁ এতিয়া মৰা ;

ৰাইজে দেখিলে যমৰ বাহিৰে

নোলাল বগীলৈ দৰা ।

---

## ভকতৰ পৰিণাম ।

( চিত্ৰগুপ্তৰ ডায়েৰীৰ টোকা )

( ১ )

সাধুৰাম ভকত বৰভকত

নাম গোৱাত ওজা,

কপালত মস্ত মৃতিকাৰ ফোঁট

ডিঙ্গিত মালাৰ বোজা ।

কঁকালত চুৰিয়া কান্ধত গামোছা,

গাত নিপিন্ধে চোলা,

পুৱা-গধূলি জুহালৰ দাঁতিত,
পাতি লয় কানিৰ খোলা।
বাহিৰ ওলালেই এঘটি পানীৰে
গাটো তিয়াই থয়;
সাতাম পুৰুষীয়া বঙা চুৰিয়া
পিন্ধি হে আহাৰ লয়।
লগৰ ভকতৰ বাহিৰে আনৰ
ভৰিও নিদিয়ে ছাঁত;
আঁতৰি ফুৰে ছুৱি ছুৱিকৈ
বেহাৰ লাগিলে হাট।
কেনোবা মানুহ ঘৰলৈ আহিলে
চোতালত বহাৰ ঠাই;
নিলগৰ পৰা তামোলখন দিয়ে
ভালকৈ আগ-পিচ চাই।
আলহীয়ে যদি পানী বিচাৰে
কচুপাতত হে পায়;
উঠি গলেও পানী ঢালিহে
গছকে সিডোখৰ ঠাই।
ফুৰা গাৰে গুৱাও নাখায়
নোসোমাই গোঁসাই-ঘৰ;
নাম গোৱালৈ নিমন্ত্ৰণ পালে হে
হয় অলপমান লৰ।

পৰৰ নাদৰ পানী নাখায়
আন কি নিজেও তুলি ;
আলি-খাৰৈৰ পচা পানীকে
খায় পবিত্ৰ বুলি।
ঘৈণীয়েকৰ হাতে ভাত নাখায়
সিওটো গৌৰৱ ঘোষে ;
কথাই কথাই গুৰুৰ শপত
নোছাৰে ভাত দোষে।
সাধুৱে কয়— তেওঁৰ সমান
সাধু কোনোৱেই নাই ;
সোঁ শৰীৰে স্বৰ্গলৈ যাব
থাকিব আটায়ে চাই।
কাণে কাণে দিওঁ বাতৰি এটা
কাকো নিদিবা জান ;
ৰাতি ফুৰা দলতো সাধুক
পোৱাটি নহয় টান।
পুৱাৰপৰা শোৱালৈকে
মিছাকে মাথোন কয় ;
কোনোবা কাচিৎ ভুলত হে যদি
একেষাৰ সঁচা হয়।
চল পালে ৰাতিয়েই খায়
লোকৰ ছাগলী কাটি ;

একাদশাত আধা খুন্দা
কোমল চাউলৰ বাটি।
পালে লগত আঠীয়া কল
অলপ জুলীয়া গুৰ ;
তাৰ ফলত তিন দিনলৈ
নপৰে পেটটো জুৰ।
গাৱঁৰ মেলত যাৰে পৰা
টোপোলা-টাপলি পায় ;
চকু মুদি দিযে সাধুৱে
তাৰ ফালেই ৰায়।
পাগুলি পাগুলি কোৱাকে কৈ
ধৰ্ম্ম বখানে কিযে !
আনৰ লগত নুছুলে নাখালেই
সকলো ধৰ্ম্ম সিজে।
ভকতনীহঁতক ৰাস লীলাৰ
বুজাই তত্ত্ব মথি।
কানীয়া ভকতৰ সংসাৰ যুঁজত
তেৱেঁই মহাৰথী।

( ২ )

কালত সাধু নৰিয়া পৰিল
থাকিল ছমাহমান পৰি ;

ডাক্তৰৰ দৰব অশুচি বুলি
ৰাখিলে নিলগ কৰি।
চুচৰি বাগৰি গাটো তিয়াই
মাৰে এচেলেক কানি ;
কেঁকাই-গেঁঠাই পেলাই এটোপা
পেটত পিঠাগুৰিৰ পানী।

একেনৈয়েই লেলাই-ধেন্দাই
ধৰিলে নানান ভাজ ;
ভালো নহয়, একো প্ৰকাৰে
ধাতুও নহয় বাজ।
এনেকৈ থাকোঁতে লেলাট ভুঞ্জি
মৰ আঁউসীৰ ৰাতি ;
কেটোৰ ক'লা যমদূত দুটাই
ল'লেহি বান্ধি-ছাটি।

যমৰ ওচৰত কৰিলে হাজিৰ
চোঁচোৰাই বগৰাই নি ;
বিচাৰ কৰিলে যম ৰজাই
গোঁফত টাও দি দি।

চিত্ৰগুপ্তৰ তালিকা চাই
শুনালে শেহত ৰায় ;—
"ভকতৰ নাই আনবিলাক
মানুহৰ লগত ঠাই।

কাকো যাতে নালাগে ছুৱ
নোৱাৰে কোনেও ছুব ;
নালাগে যাতে এবটি পানীৰে
দহবাৰ গাটো ধুব ।
এনে ভাবে অসূৰ্য্য নামক
গাঁতত দিয়াগৈ ঠাই ;
শুধ শৰীৰে থাকক তাতে
ধৰ্ম্মৰ ভোৰতাল বাই ।”
যমৰ আদেশ শুনি দূতে
ভকতক দাঙি ল’লে ;
অসূৰ্য্য নামে আন্ধাৰ গাতত
ঢাকোন দি সুমাই থ’লে ।
নপৰে তাত পোহৰৰ সঁচ
বতাহৰ নাই বা ;
নুশুনে কাৰো কথা-বতৰা
নেদেখে নিজৰ গা ।
সাধুৱে বোলে ইবাৰৰ পৰা
নেদেখোঁ কাকো ভিন ;
নিজক মাথোন পবিত্ৰ বুলি
নকৰোঁ কাকো ঘিণ ।
শপত খাইছোঁ, ৰক্ষা কৰা,
নকৰোঁ ধৰ্ম্মৰ ছল ;

যমে বোলে—        আৰ্জ্জিলা যেতিয়া
ভুঞ্জিব লাগিব ফল।
নিৰ্জ্জন গাতত        থাকিল ভকত
চিএগুৰি-বাখৰি পাচে ;
তত লবা        ভকত সকল
আটাইবে এদিন আছে।

---

# উন্নতিৰ উপায়।

( ১ )

ৰবা হে ৰাইজ, কিমান নো আৰু চিএগুৰ-বাখৰখন কৰা ?
ডালৰ কাউৰো দূৰলৈ পলাল, উশাহ হৈ গ'ল খৰা।
দেশৰ উন্নতি, দহৰ গতি,
চিএগুৰি কৰিছা কামবন খতি,
কেনেকৈ কি হ'ব, একোকে নাজানা, সুধিও নোলোৱা কাকো,
আগ গুৰি নাই, কি হ'ব, বান্ধিলে মিছাতে পানীৰ সাঁকো ?

( ২ )

ময়ে কওঁ শুনা, গুণ নহলেও ধৰমনো ক'লৈ যাব ?
মন দিলে তাত পাৰিবা নিশ্চয় উন্নতিৰ টিংখোপ পাব।
ডাঙ্গৰ ডাঙ্গৰ কৈ সাজা ৰভা,
পাতা তাতে ঘনকৈ সভা,

গুজৰি-গুমৰি বক্তৃতা দিয়া দেশ উদ্ধাবিম বুলি,
কামৰ নিমিত্তে পঁচা আনা বাইজৰপৰা তুলি।

তাৰেই কৰা তুৱাৰ-ঘৰ,
দেশ-বিদেশলৈ দিয়া লৰ,

তুবেলা তুসাজ খাবলৈ তাৰেই উপায় উলিৱা আৰু,
তোমাৰ উন্নতি দেশৰ উন্নতিৰ অংশ নহয় নে বাৰু ?

( ৩ )

আকৌ চোৱা মাটিৰ জোখাই দেশত মানুহ নাই,
লোক সংখ্যা বৃদ্ধি কৰাই উন্নতি উপায় ঘাই।

( এতেকে ) কেচুৱাৰ বিয়া দিয়া বঢ়াই,
বিয়া কৰাওক তিনি কুৰীয়াই,

কৰাবলৈ দিয়া ডেকা গাভৰুক যিমান মন যায় বিয়া,
যিমান পাৰা বাৰী-খাৰী বৰলাক চপাই দিয়া।

( ৪ )

তাৰ-পিচত শিকি বুজি খুজিলে ডাঙৰ হ'ব,
কত কাল যে লাগিব তাত পাৰে নে কোনোবাই ক'ব ?

এৰা এতেকে শিক্ষা দীক্ষা,
সন্মান ল'বা কৰি ভিক্ষা,

নহলে ধন দি পৰাচিত হৈ ডিঙিত পিন্ধিবা জৰি,
একে দিনাই নাচিবা তুলি উন্নতিৰ শিৰত ভৰি।

( ৫ )

(আকৌ) উন্নত জাতিৰ সমাজ কদাপি নোৱাৰে থাকিব এক,
চুটিয়াই দিয়া উন্নতিৰ ঘোৰা বঢ়াই দিনকে লেখ।
দেৱতা মানুহ তেত্ৰিশ কোটি,
চিৰদিন আছে খুটি পুতি
অনাই বনাই ভাৰতবৰ্ষৰ কঁপাইছে আকাশ-মাটি,
তেনে স্থলত নিচেই তাকৰ ছয়ত্ৰিশটা মাথোন জাতি।

( ৬ )

এতেকে লোৱা মানুহ মূৰি জাত নতুন কৈ বাঁটি,
পূৰাই লোৱা তেত্ৰিশ কোটি ছয়ত্ৰিশক ভাঙ্গি-পাতি।
দীঘল নকা কাৰবাক পাতি,
কাৰবাৰ লোৱা নাকটো কাটি,
গজোৱা কাৰবাৰ দীঘল নেগুৰ, গজোৱা কাৰবাৰ শিং,
মানুহ মূৰি জাত গঢ়িলেই উন্নতিৰ পাবা টিং।

( ৭ )

আৰু এটা কথা—বহি-শুই খোৱাই ডাঙ্গৰ মানুহৰ চিন,
এতেকে এৰা যাৰ যি ব্যৱসায়, নহলে বুলিব হীন।
পেটৰ ভাত, কাপোৰ গাৰ,
বিদেশীক দিয়া যোগোৱাৰ ভাৰ,
তাঁত-সূত এৰি পিবালিত বহি তিৰুতাই বান্ধক খোপা,
হাল কোৰ এৰি মতাবিলাকে লওক পিছফালে জোপা।

( ৮ )

নাইবা থাকা ঠেঙ্গৰ ওপৰত ঠেংতুলি লৈ বহি,
ব'দ বতাহত কাম কৰা কিয়বা কষ্ট সহি ?
আনৰ ওপৰত ক্ষমতা জাৰি,
কৰা যেতিয়া যিমান পাৰি,
আনক নাপালে ঘৈণীক ধৰিয়েই শোধোৱা মাধমাৰ,
তেতিয়া নিশ্চয় হ'ব তোমাৰ উন্নতিৰ মুক্ত দ্বাৰ।

( ৯ )

সজ আলোচনা পুৱা-গধূলি সভ্য সমাজৰ প্ৰথা,
পালিবা তাক আলচি পৰৰ জীয়াৰী-বোৱাৰীৰ কথা।
স্বাধীনতাৰ আদৰ্শ ধৰা,
যি হকে মন যায় তাকেই কৰা,
যুৱতী বন্ধু লৈ চিকাৰ কেম্পত কটাই আহাঁগৈ ৰাতি
তেতিয়া তুমিও নিশ্চয় পাৰিবা হ'ব শিৰফুটা জাতি।

( ১০ )

বাৰোৱাৰী পূজা যিমান পাৰা সিমান বেচিকৈ পাতা,
হাজাৰে হাজাৰে খৰচ কৰি ভাটীৰ বাইজী মাতা।
পঞ্চমকাৰ সাধন কৰি,
মোক্ষ লোৱা মুঠিত ভৰি
তেতিয়া তোমাক উন্নত বুলি নামানি থাকিব কোন ?
(অন্ততঃ) খেমটাৱালীয়ে তো ভদ্ৰলোক বু লি বৰ্ণাবতোমাৰ গুণ!

( ১১ )

নিজেও নিজক ডাঙ্গৰ ভাবিবা আনক ভাবিবা সৰু,
আদিপাঠ পঢ়ি পণ্ডিত হৈ আনক বুলিবা গৰু।
গহীন খোজেৰে বাটত বুলি,
মাতত মেঘৰ গাজনি তুলি,
ভাবিবা জগতত, তুমি হে মানুহ, পশুৰ নিচিনা আন,
তেতিয়া নিশ্চয় উন্নতি লভিবা পাবা সকলোৰে মান।

( ১২ )

নিজকে নিজে পবিত্র বুলি আনক কৰিবা ঘিং,
মানুহৰ আগত জিলিকাই ফুৰিবা ফেঁট লগুণৰ চিন।
অজাতি মানুহ খালত পৰি,
মৰিলে মৰক, যাবা আঁতৰি,
তথাপি নুছুবা, ছুলেই তোমাৰ মূৰত উঠিব পাপ,
তাকে নকৰিলে সভ্যতাৰ জখলাৰ পাবাগৈ ওপৰ খাপ।

( ১৩ )

আৰু এটা কথা, ইংৰাজ জাতিটো কিমান উন্নত চোৱা,
কি কি গুণত ডাঙ্গৰ হৈছে এবাৰ লেখকৈ লোৱা
প্ৰথম গুণ—বৰণ বগা,
দ্বিতীয়—মুখত চেলেউ লগা,
তৃতীয় পিন্ধা ঠেঙ্গা-টুপী, চতুৰ্থ মদৰ ভক্ত,
তুমিও কিয় নোলোৱা পাই উন্নতিৰ এনে তত্ত্ব ?

( ১৪ )

হ'ব পাৰে, নোৱাৰা কৰিব গাৰ ৰংটো ভিন,
গালে মুখে চূন সানি লোৱা, কোনেনো ধৰিব চিন ?
পিতাক ফাদাৰ, মাতাক মাদাৰ,
ভাতক বোলা ডিনাৰ-ছাপাৰ,
বাটে ঘাটে ইংৰাজী বটিয়াই ফুৰা ওফাইদাং মাৰি,
একে ৰাতিয়েই পূৰাব পাৰিবা ইংৰাজৰ লগত শাৰী।

( ১৫ )

একোটো যদি নোৱাৰা কৰিব লোৱা জুহালৰ দাঁতি,
চপাই লোৱা কানিৰ টিকিৰা কুঁহিয়াৰ কলৰ বাটি।
কথাত ৰাজ্য ভাঙ্গা-পাতা।
যি পাৰা পৰৰ বদ্‌নাম ৰতা,
চিপ্‌ৰাং খন্তি হাতত লৈ দিগ্বিজয় কৰা ৰাতি,
তেতিয়া হ'লেও পাৰিবা নিশ্চয় হ'ব উন্নত জাতি।

---

# মতা নে তিৰুতা ?

( ১ )

সত্য যুগত মতা-মাইকী তেনেই আছিল ভিন
নিলগৰ পৰাই জিলিকি আছিল যাৰ যি বিলাক চিন।
মতাৰ মুখত দীঘল ডাড়ি,                    নাকৰ তলত গোঁফৰ শাৰী
টাও দি দি ম'হ শিঙীয়াকৈ থইছিল ঠিয় কৰি,
মাটি কঁপিছিল পেলাইছিল যেতিয়া গমহ-গমহ কৈ ভৰি।

( ২ )

তিৰুতা বিলাকো তিৰুতা আছিল, কঁকালটো আছিল লাহী,
মূৰত নাচিছিল দীঘল চুলি, ওঁঠত মিচিকি হাঁহি।
মাতটো আছিল সোৱাদ ভৰা,                 তাতোকৈ সোৱাদ ৰন্ধা বঢ়া,
সূতা কাটি কাপোৰ বৈছিল, ঘৰ খন আছিল চাই,
পাক দিছিল নামৰ সুৰত গাখীৰ-খীৰাই খাই।

( ৩ )

তাৰ পাছত দ্বাপৰ ত্ৰেতাতো মতাবোৰ আছিল মতা,
হাত ভৰি বোৰ লোহাৰ নিচিনা, কঁকালত টঙালি আঁটা
হাতৰ মুঠিত ঢাল-তৰোৱাল,                 চকুৰ দৃষ্টিত তাল-বেতাল,
গলধন আছিল যাঁড়ৰ দৰে, মূৰত মথুৰা পাগ,
কুস্তি কছৰত অস্ত্ৰ চালনাত বাঢ়িছিল ক্ৰমে আগ।

( ৪ )

পেটৰ অগ্নিও আছিল বেছি, খাইছিল একোটা গৰু,
অন্ন-ব্যঞ্জন একো জনকেই লাগিছিল কেইবা চৰু।
গাত আছিল হাতীৰ বল, নাছিল ফাঁকি, অন্যায় ছল,
বিবাদ হ'লে গাৰ বলেৰে লৈছিল বিচাৰ কৰি,
অযোগ্য জনক সমাজৰ পৰা উলিয়াই দিছিল ধৰি।

( ৫ )

তিকতা বিলাকে ঘৰ চলাইছিল, কৰিছিল বোৱা কটা,
ভাত ৰান্ধি খাই মেল মাৰিছিল লৈ তামালৰ বঁটা।
দুয়ো হাতত পিন্ধিছিল খাৰু, কাণত কৰীয়া আঁৰি ছিল আৰু
ডিঙিত পিন্ধিছিল মণি-মাদলী কপালত লৈছিল ফোঁট.
সোঁ মাজেদি সেওঁতা ফালি চুলিৰ ভাঙিছিল জোঁট।
মূৰ ঢাকিছিল ওৰণা লৈ, নূপুৰ পিন্ধিছিল নাচিবলৈ,
মউ ঢালিছিল কথা-বতৰাত কুলিৰ মাতকো জিনি,
খোজ দেখিলেই তিকতা বুলি পাইছিল আটায়ে চিনি।

( ৬ )

কলি যুগে বিধাতাৰ লগত উঠিল ফেপেৰি পাতি,
তাৰ ফলত মতাবোৰে পেলালে ডাড়িবোৰ কাটি।
পেলাই দিলে ঢাল তৰোৱাল, চুকত সোমাই শক্তি ঢুকাল,
নোৱাৰাত পৰিল আগৰ খাদ্য নিয়াৰ এতিয়া জীণ,
অহিংসা-ধৰ্ম্ম প্ৰচাৰ কৰিলে হ'ই শকতি-হীন।

( ৭ )

পুৰুষৰ দেখি অগ্নিমান্দ্য তিকতাৰ বাঢ়িল পিত,
মতাৰ ওপৰত হেতা-ওপৰা কৰাত লগালে চিত।
আবুৰ গ'ল কেনিবা উৰি, দিলে নতুনকৈ তৰ্ক জুৰি
সিংহাসনত বহি চলালে একোখন দেশৰ কাজ,
মতাৰ লগত ফেৰ পাতিলে পেলাই তিকতাৰ সাজ

( ৮ )

এনেকই আহি কুৰি শতিকাত ঘটিল সকলো লৰ,
আগৰ দৰে ওলোৱা-সোমোৱাত ঘটিল আহুকাল বৰ।
মতা-মাইকীৰ ল'ৰিল নাম, ওলট-পালট হৈ গ'ল কাম,
মাইকীৰ পাছত জোপ লৈহে এতিয়া মতাৰ সুখ,
বাৰব জলঙা মাইকীৰ আশ্ৰয় দেখিলে মতাৰ সুখ।

( ৯ )

তিকতাৰ কথাকে ভাবি ভাবি মতাও তিকতা হ'ল,
কুমাৰণী বাহৰ পোকৰ দৰে, যি আছিল সোপাই গ'ল।
পুৰুষে তিৰীৰ ৰূপত ভুলি, ভাবিলে সুখ তাতেই বুলি,
সেই হে নিজেও তিকতা হব'লৈ ফুৰিছে হামবাও কাঢ়ি,
পুৰুষৰ চিন নিলগ কৰিছে যিমান দূৰলৈ পাৰি।

( ১০ )

ডাঢ়ি-গোঁফ চাঁচি নিমজ কৰি হইছে তিকতা-মুৱা,
পাগুৰি খহাই সেওঁতা ফালি চোবাই ফুৰিছে গুৱা।

ধুতি চেলেং নে মেখেলা-ৰিহা, তাৰেই বা জানো পাবা দিহা ?
নিলগৰ পৰা চালে দেখিবা ঠিক যেন লৰাৰ মাক,
তিকতা সাজিযেই তিকতা হ'ল আজি পুৰুষৰ জাক।

( ১১ )

তিকতাৰ মনো হ'ল ইফালে মতা দেখিলেই উৰা,
ভাবিলে ভাল মতাৰ দৰে হে সাজপাৰ পিন্ধি ফুৰা,
হাতৰ কাণৰ কৰিলে খালি, বেঁকাকৈ ল'লে সেওঁতা ফালি ;
তৰণি নাপাই সেন্দুৰৰ ফোঁট পলাল কপালৰ পৰা,
নাকৰ ওপৰত উঠিল চচ্‌মা ফ্ৰেম সোণেৰে গঢ়া।

( ১২ )

ফুৰা-চকা কথা-বাৰ্ত্তাত পুৰুষৰ লাগিল ত্ৰাস,
লগৰ সঙ্গী হাৰমোনিয়ম্, নাটক, উপন্যাস।
ঠাকুৰক দি ৰন্ধা-বঢ়া, নগুৱাৰ ভাগত মছা-সৰা,
ঘাগৰীগতীয়া চেলেংখন লৈ দিলে পদূলিত খোজ,
মুখলৈ চাই মতানে মাইকী পাবা নে কিবা বুজ ?

( ১৩ )

ইমানতেই নহয় অন্ত, নামৰ ফাললৈ চোৱা,—
মতাৰ নাম হ'ল প্ৰেমদা, যশোদা,তাক নো কি বুলি কোৱাঁ ?
বিমলা, কমলা, মোহিনী, ৰাধা, নহলে এডোখৰ নেগুৰ বন্ধা,
দেখা নাপালে মতা নে মাইকী ভাবোঁতেই ওলায় ঘাম,
আচৰিত নহবা কুমুদিনী ফুকন মতা মানুহৰে নাম।

( ১৪ )

চন্দ্ৰ সূৰ্য্য নগেন্দ্ৰ বালাৰ বালা সোলোকাই থ'লে
পাৰিবা নে কব তিকতা বুলি নামটো মাথোন ক'লে ?
উপাধি দেখি প্ৰত্যয়-খৰা, শইকীয়া, বৰুৱা, ফুকন, বৰা,
ব্যাকৰণৰ সাধ্য নাই লিঙ্গ নিৰূপণ কৰা,
গিৰীন্দ্ৰ বৰুৱাক স্ত্ৰীলিঙ্গ বুলি কেনেকৈ নো বাৰু ধৰা ?

( ১৫ )

মজাৰ ধেমালি ! মতাই সুখ পাই তিকতাৰ দৰে সাজি,
(কিন্তু) গাইমুৱা মতাক স্বামী লবলৈ তিকতা নহয় ৰাজি।
মাইকীৰ পালতো একেই কথা, ৰং পাই নিজে সাজি মতা,
মতাই কিন্তু নোখোজে লব মতা-মুই তিৰীক বাছি,
শেষ ফলত সোমাব লাগে কাৰবাৰ ঘৰত যাচি।

( ১৬ )

তুফালৰ পৰা বিপৰীত সোঁত থাকিলে এনেকৈ ব'ই,
কোনোবা দিনা ব'ব লাগিব নতুন এস্থঁতি হ'ই।
পুংলিঙ্গ স্ত্ৰী-লিঙ্গৰ সকলো চিন, ক্লীৱ লিঙ্গত যাবগৈ লীন,
ব্যাকৰণে মোট সলাব নতুনকৈ কাচি-পাৰি,
বিধাতা পুৰুষো 'জব্দ' হৈ সোমাব তুৱাৰ মাৰি।

---

# জাত-ৰক্ষা ।*

( ১ )

বামুণ গাৱঁৰ বাপুসকল এদিন একেলগ হৈ,
কৰিলে স্থিৰঃ—মাটি লৈ খেতি কৰিব গৈ ।
নহলে যিহে দিনক দিনে হৈছে যজমানবোৰ,
শবাধ-পাতি নোহোৱা হৈ খোৱাৰ মৰিব মূৰ ।
যেনে কথা তেনে কাম, ওলাল সকলো গঞা,
ওলাল নদাই, ওলাল ভদাই ওলাল দেউৰাম-দয়া ।
টিকিধৰ বাপু, ফেদাই শৰ্ম্মা, দীনাই, মধু, জাতি,
আৰু বহুত ওলাল চাবলৈ বিচাৰি এডোখৰ মাটি !

( ২ )

মিৰি-পামৰ ওচৰত আছিল বহুতো পতিত মাটি,
ভাগ বাটি বাপুসকলে ল'লে হাবি-বন কাটি ।
মাটি ভাঙিলে ডবল কোবেৰ ৰ'দতে সিজি আধা,
গুটি সিঁচিবৰ সময় পৰিলত মিৰিয়ে দিলে বাধা ।
মিৰিয়ে বোলে কেলেই দিম আমাৰ ওচৰৰ মাটি ?
তাতেই আমি কৰিব লাগিব আগলৈ খেতি-বাতি ।
বাপুসকলে বোলে তইঁতৰ তাত কি আছে হাত ?
চৰকাৰী মাটি যেয়ে ভাঙে তাৰেইহে স্বত্ব তাত ।

---

* বয়োবৃদ্ধ সাহিত্যিক আৰু প্ৰসিদ্ধ সংস্কাৰক শ্ৰীযুক্ত কমলাকান্ত ভট্টাৰ্য্য ডাঙৰীয়াৰ পৰা শুনা এটা সত্য ঘটনা লৈ লিখা ।—লিখক ।

মিৰিয়ে বোলে আগলৈ আমি ভাঙিলোঁ হেঁতেন তাক,
তহঁতে কিয় ললিহি বাৰু নুশুনি আমাৰ হাক ?
এনেকৈয়ে দুয়ো দলৰ লাগিল কাজিয়া বৰ,
গতি বিষম দেখি দিলে বাপুসকলে লৰ।

( ৩ )

খেদা খাই বাপুসকল গাওঁলৈ ঘূৰি গ'ল,
পিচদিনাখন আহিল আকৌ বান্ধি ডাঙৰকৈ দল।
দা-কটাৰী, লাঠি-টাঙোন, যাৰ যি আছে লৈ,
মিৰিৰ লগত যুঁজিবলৈ আহিল পয়োভৰ কৈ।
ঘৰবে পৰা বাপুসকল গৈছিল জ্বলি-পকি,
মিৰিহঁতো আহিল খেদি মুখত যি আহে বকি।
তৎক্ষণাৎ বাপুসকলে মিৰিলৈ ললে চোঁচা,
কোনোৱে দাঙি ভলুকা-টোকোন, কোনোৱে দাঙি ঘোচা।
মিৰিহঁতো সমুখ হ'ল আগলৈ পেলাই থুই,
বাপুহঁতৰ জাতত লাগিল যেন খাণ্ডবৰ জুই।
উপায় বুধি নোহোৱা হৈ কাছুটি কোঁচাই ল'লে,
হাতৰ অস্ত্র অচল হ'ল, সামৰি-সুতৰি থ'লে।
অলপমান সময় এনেদৰে উদ্যোগ পৰ্ব্বতে গ'ল,
এনেতে মিৰিৰ নতুন সহায় যুদ্ধত উপস্থিত হ'ল।
চাৰি জনী মিৰিয়নীয়ে ভাতৰ পোতনি লৈ,
ছটিয়াই গ'ল বাপুসকলৰ গালৈ লক্ষ্যকৈ।

বিপ্ৰসকলে বোলে এতিয়া জাত-কুল তেনেই যায়,
নালাগে মাটি পলোৱাহঁক, ৰবৰ সকাম নাই।
এই বুলিয়েই কাছুটি এৰি দিলে ঘৰলৈ লৰ,
পোতনি ছটিয়াই মিৰিয়ে পিচত খেদিলে বহুতো পৰ।
ঘৰত বাপুৱে শপত খালে নকৰোঁ খেতি তাত,
মাটিৰ লগত মিৰিৰ হাতত নোৱাৰি দিব জাত।
তেতিয়াৰ পৰা কোনো বাপুৱেই নিদিলে সিঠাইত ভৰি,
মিৰিহঁতে লাভতে পাই ল'লে ভাগ ভাগ কৰি।
বাপুসকলে, দুখ কৰিলে, মিৰিয়ে ভুঞ্জিলে ফল,
বাপুসকলে বোলে যি হোক, পৈতৃক জাতটো ৰ'ল।

প্ৰশ্ন।

নিজ স্বত্ব ৰাখিবৰ নাই শক্তি যাৰ,
তাৰ যদি থাকে জাত, জাত যায় কাৰ ?

---

## দুখীয়া।

( ১ )

দুখীয়াৰ ঘৰ গাৱঁৰ মাজত,
নিচেই নিমাখিত প্ৰাণী ;
ভঁৰালত নাই খাবলৈ ভাত,
ল'বলৈ কাপোৰ-কানি।

ঘৈণীৰ বাহিৰে ঘৰত কোনো
মাত-বোলল'ই নাই ;
দিনৰ দিনটো কামত ঘূৰি
গধূলি এসাজ খায়।
বাপতী কলীয়া ঘৰৰ ভেঁটিটো,
তাতেই জুপুৰা ঘৰ ;
সেয়ে দুখীয়াৰ যথা সম্পত্তি
তাতেই চেনেহ বৰ।

অলপ ৰাজহ তাকে দিওঁতেই
দুখীয়াৰ মলিন মুখ ;
মৌজাদাৰেও অৱস্থা দেখি
কৰিলে বহুতো দুখ।

ক'লে "খাজানা এৰিলোঁ ইবাৰ,
ময়ে দিম তোৰ হৈ ;
দুখীয়াই শুনি কৰিলে সেৱা
ভক্তিত গদ্গদ হৈ।

মৌজাদাৰৰ দয়াৰ কথাকে
আটাইৰে আগত ক'লে ;
ৰাজহৰ ধন খৰছ কৰি
কাপোৰ একোখন ল'লে।

পিচত এদিন মৌজাদাৰে
কৰিলে "নোটিচ" জাৰি ;

এপযৰ ভিতৰত দুখীয়া যাব
এৰি থৈ পৈতৃক বাৰী।
বাতৰি ওলাল বাজহ নিদিয়াত
নীলাম হৈ গ'ল মাটি ;
মৌজাদাৰেই সামৰি থ'লে
দুখীয়াৰ নামটো কাটি।

( ২ )

মৌজাদাৰে মৰম কৰি
ল'লে বাজহৰ ভাৰ ;
ভুলকৈ বুজি দুখীয়াৰ উঠিল
খঙত কঁপনি গাৰ।
মানুহৰ আগতে মৌজাদাৰক
পাৰিলে বেয়াকৈ গালি ;
প্ৰভুৰ ইঙ্গিতত টেকেলাই দিলে
দুখীয়াৰ নূৰটো ফালি।
সহিব নোৱাৰি দুদিন পিচত
চুচৰি বাগৰি গৈ ;
আদালতত কৰিলে গোচৰ,
টকা ধাৰকৈ লৈ।
ঘৈণাৰ কাণৰ কৰীয়া জোৰে
যোগালে উকীলৰ "ফীজ" !

ধৰ্ম্মাৱতাৰৰ বিচাৰত হ'ল
গোচৰটো "ডিচ্‌মিচ্‌"।
দেশ-কালৰ সম্মান ৰাখি
হাকিমে দিলে ৰায় ;
কোনে শুনিছে দুখীয়াৰ গোচৰৰ
ইয়াতকৈ সুবিচাৰ পায় !

( ৩ )

ইয়াৰ পিচত এদিন পুৱাতে
চিপাহী-দাৰোগা গৈ ;
দুখীয়াৰ ঘৰৰ ভিতৰত সোমাই
চালে পাত-পিত কৈ।
উলিয়াই ললে চালৰ পাচত
সোণৰ মাদুলী পাই ;
দুখীয়াই বোলে ঈশ্বৰে জানে,
আগেয়ে দেখাই নাই।
দাৰোগা বাবুৱে দুখায়াক ধৰি
বান্ধি থানালৈ নিলে ;
গোটেই বাটত ঢকা-চাপৰ
যিমান পাৰিলে দিলে।
মাদলী হেনো মৌজাদাৰৰে,
ৰাতি হৈছিল চুৰ ;

দাৰোগাই আজি পেলালে ধৰা,
দুখীয়া পৰিল চোৰ।
দাৰোগাই পোৱাৰ আগেয়ে কিন্তু
দুখীয়াই নাছিল দেখা ;
তথাপি চোৰ সাব্যস্ত হ'ল'
এনে কপালৰ লেখা।

গঞাই কয়— যদিও দুখীয়াই
খাবলৈ নাপাই ভাত ;
প্ৰাণ গলেও পৰৰ বস্তুত
তথাপি নিদিয়ে হাত।

মৌজদাৰৰ সাক্ষীয়ে ক'লে
কৰি দুয়ো হাত জোৰ ;—
"দেখা যি নাই, শুনাও নাই,
দুখীয়াৰ নিচিনা চোৰ।"
ন্যায় বিচাৰত (?) এবছৰলৈ
দুখীয়াৰ ফাটেক হ'ল ;
দাৰোগা বাবু মৌজাদাৰৰ
লগত ঘৰলৈ গ'ল।

( ৪ )

ফাটেকৰপৰা ওলাই দুখীয়া
ঘৰলৈ আহিল ঘূৰি ;

ঘৰত দেখিলে ঘৈণীয়েক হ'ল
ডেকা কালতেই বুঢ়ী।
পৰৰ ঘৰত কাম কৰি দি
এমুঠি গোটাই আনি ;
তাকে খাই-লৈ প্ৰাণটো ৰাখিছে,
পিন্ধি ফটা-ছিটা কাণি।
ফাটেকত থাকোঁতেই দুখীয়াৰ গাত
বাহ লৈছিল জ্বৰে ;
তথাপি কাম কৰিবই লাগিব
নহলে কেনেকৈ তৰে ?
পেটৰ কাৰণে দিনে ৰাতিয়ে
নৰিয়া গাৰে খাটি ;
নানান চিন্তাত দুখীয়াৰ শৰীৰ
তেনেই হৈ গ'ল মাটি।

জৰ-বিষ, কাহ-কফ,
আটায়ে হেঁচা দি ধৰি ;
নোৱৰা কৰিলে পাটী এৰিব,
দুখীয়া থাকিল পৰি।
ঘৈণীয়েকে এৰি চকুৰ টোপনি
পৰ দি কটায় ৰাতি ;
খুজি-মাগি এমুঠি পালে
খায় দুয়োটাই বাটি।

লাহে লাহে বেমাৰ বাঢ়িল,
দুখীয়াৰ হেৰাল মাত ;
অৱস্থা দেখি ঘৈণীয়েকৰ
তত নাথাকিল গাত।
বাউলী হৈ ডাক্তৰ মাতিলে
তিনি চাৰিবাৰ গৈ ;
দুখীয়া দেখিয়েই নাহিল ডাক্তৰ,
সময় নাই নাই কৈ।

শেহত যেতিয়া ভৰিত পৰি
ৰবকৈ বিনাই ক'লে ;
'ভিজিট' দিব হাতৰ খাৰুজোৰ,
এবাৰ দয়াকৈ গ'লে।
ডাক্তৰ বাবুৰ ওলাল তেতিয়া
সময় কেনেবাকৈ ;
লাহে লাহে খোজ ধৰিলে
হাতত "টেথিচ্কপ্" লৈ।
গৈ পালতে চকু মেলিলে,
ল'লে ঘৈণীক চাই ;
পিচ মুহূৰ্ত্তত ডাক্তৰে দেখিলে
দুখীয়াৰ ধাতু নাই।
দাৰুণ শোকত বিধবা পৰিল
মাটিত অচেতন হৈ ;

খঙ্গ মুৱা হৈ ডাক্তৰ থাকিল
অলপ আঁতৰত বৈ।
চেতনা পালত খঙ্গেৰে ক'লে
কৰি খৰধৰ বৰ :—
"আগেয়ে মোৰ 'ভিজিট' দি ল,
পিচত যি কৰ কৰ।"
বিধবাই দিলে সধবাৰ চিন
হাতৰ খাৰুজোৰ খুলি ;
সবেগে ডাক্তৰ ওলাল বাহিৰ,
'হেটেৰে' ফেঁটটো তুলি।
বিধবাই বিনালে বাগৰি বাগৰি
দুহাতে ধাকুৰি হিয়া ;
নোলাল এজনো এনে বিপদত
এবাৰ সান্ত্বনা দিয়া।

* * * * *

ৰাতি দুপৰত দুখীয়াৰ ঘৰত
নাচিছিল অনল শিখা ;
সিদিনাৰে পৰা বিধবাক আৰু
কেৰেঁ পোৱা নাই দেখা।

---

অন্ত